C M Y K

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

*সামাজিক দায়বদ্ধতাত অবিচল*

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

যদি আপোনাৰ লক্ষ্য অতি উচ্চ শিখৰত ধাৰ্য কৰে আৰু ব্যৰ্থও হয়, তেতিয়াও আপুনি আন বহুতৰ সাফল্যতকৈ ওপৰত থাকিব।

জেমছ কেমেৰ'ন
*হলিউদৰ পৰিচালক*



৭ লস্কৰ-জইচক পৃষ্ঠপোষকতা প্ৰদান তালিবানৰ ঃ ৰাষ্ট্ৰসংঘ
১৫ দলীয় শক্তিৰেই চেম্পিয়ন টাইটানছ
৪ ভুকুতে কলটো জানো পকিব?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৩০তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১৬ জেঠ ১৪২৯ ভাস্কৰাব্দ ৩১ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 31 May 2022 মূল্য ঃ ৯.০০ টকা

## উষ্ম সংবাদ

■ সঞ্জীৱ সভাপণ্ডিত



মানুহৰ যন্ত্ৰণাৰ ভিতৰত অনবৰতে ৰ, হাস্পতালৰ কৈ কেঁট-কুঁট-

দৰব-জ্বৰ, বিদ্যালয়ৰ ভিতৰৰবিলাকৰ যেনেকৈ প্ৰশ্ন-উত্তৰ-নম্বৰৰ দুৰ্বোধ্য সাঁথৰ, ফেক্টৰীৰ ভিতৰৰবিলাকৰ যেনেকৈ ভোক-পিয়াহ-মেচিন-নিয়মৰ দাম-দৰ, তেনেকৈ বাহিৰৰ পৃথিৱীৰ মুক্ত মানুহৰো জীৱন-যন্ত্ৰণা-হাবিয়াস-বিফলতাৰ পাহাৰ বৰ্বৰ।

*১০ পৃষ্ঠাত চাওক*

■ ১০ জুনত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে ১৮ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ ■ নাম অন্তৰ্ভুক্ত নহ'ল দলৰ জ্যেষ্ঠ নেতা-সাংসদৰো ■ বাদ পৰিল মুখতাৰ আব্বাছ নাকভি

# প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত কেন্দ্ৰীয় মন্ত্ৰীও

■ মোদীয়ে মন্ত্ৰীসভাৰ সালসলনি ঘটাব বুলি দিল্লীত আৰম্ভ হ'ল ব্যাপক জল্পনা-কল্পনা

■ নিউজ ব্যুৰ'



**নতুন দিল্লী, ৩০ মে' ঃ** অহা ১০ জুনত দেশৰ ১৫ খন ৰাজ্যত খালী হোৱা ৰাজ্যসভাৰ ৫৭ খন আসনৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ বাবে আজি বিজেপিয়ে প্ৰকাশ কৰা ১৮ জনীয়া প্ৰাৰ্থী তালিকাই বিশেষ চৰ্চা লাভ কৰিছে। কিয়নো তালিকাত নাম অন্তৰ্ভুক্ত হোৱা নাই কেন্দ্ৰীয় মন্ত্ৰীসহ বহু জ্যেষ্ঠ নেতা আৰু বৰ্তমানৰ ৰাজ্যসভাৰ কে'বাজনো সদস্যৰ। অৱশ্যে এইসকলৰে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কৰ্ণাটকৰ পৰা আৰু পীযুষ গোৱেলে মহাৰাষ্ট্ৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। তাৰ বিপৰীতে ঝাৰখণ্ডৰ পৰা যোৱাবাৰ নিৰ্বাচিত হোৱা কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী মুখতাৰ আব্বাছ নাকভিৰ নাম তালিকাত নাই। নাম বাদ পৰিছে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী প্ৰকাশ জাৱৰেকাৰৰো। নাম বাদ পৰা আন বিশিষ্ট নেতাৰ তালিকাখনো দীঘলীয়া। সেইসকলৰ ভিতৰত আছে দলৰ সাধাৰণ সম্পাদক দুষ্যন্ত গৌতম, জ্যেষ্ঠ নেতা অ' পি মাথুৰ, বিনয় সহস্ৰবুদ্ধে আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী শিৱ প্ৰতাপ শুক্লা। শুক্লা বৰ্তমান ৰাজ্যসভাত বিজেপিৰ মুখ্য সচেতক। *আঠ পৃষ্ঠাত চাওক*



*২২গৰাকী যাত্ৰীসহ ভূপতিত হোৱা নেপালৰ তাৰা এয়াৰলাইন্সৰ বিমানখনৰ ধ্বংসাৱশেষ, সোমবাৰে।*

■ পুৱতি নিশা গাড়ীৰ পৰা জাপ দি পলায়নৰ চেষ্টাত আৰক্ষীৰ বাহনৰ খুন্দাত মৃত্যু ■ নিশা আশ্বিকুলৰ গৃহৰ পৰা জব্দ গুলিসহ দুটাকৈ পিষ্টল ■ উপ-পৰিদৰ্শকসহ তিনি আৰক্ষীও আহত

# বটদ্ৰৱা কাণ্ডৰ অভিযুক্ত দুৰ্ঘটনাত নিহত



■ সাংবাদিকৰ সহযোগত আত্মসমৰ্পণৰ দাবী পৰিয়ালৰ ■ দুৰ্ঘটনা-পিষ্টল উদ্ধাৰ আৰক্ষীৰ পৰিকল্পিত বুলি অভিযোগ ■ আৰক্ষী থানাত মটৰ চাইকেল জ্বলোৱা জ্যোস্নাআৰা বেগমৰ আত্মসমৰ্পণ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা



**নগাঁও/বটদ্ৰৱা/জুৰীয়া, ৩০ মে' ঃ** আৰক্ষীৰ জিম্মাতে দুৰ্ঘটনাত নিহত হ'ল কালি গ্ৰেপ্তাৰ হোৱা বটদ্ৰৱা কাণ্ডৰ অন্যতম মূল অভিযুক্ত আশ্বিকুল ইছলাম। আজি পুৱতি নিশা আৰক্ষীৰ বাহনৰ পৰা জঁপিয়াই পলাবলৈ চেষ্টা কৰোঁতেই পাছফালৰ পৰা তীব্ৰ বেগত আহি থকা আন এখন আৰক্ষীৰ বাহনৰ খুন্দাত অভিযুক্তজনৰ মৃত্যু হয়। এই ঘটনাক কেন্দ্ৰ কৰি সম্প্ৰতি জিলাখনত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিহতৰ পৰিয়ালৰ লোকে এই ঘটনা আৰক্ষীৰ পৰিকল্পিত বুলি দাবী কৰিছে। ইয়াৰ বিপৰীতে নিহত আশ্বিকুলৰ গৃহৰ পৰা মাৰণাস্ত্ৰ *১০ পৃষ্ঠাত চাওক*

## হিজাব পৰিধান কৰি ছাত্ৰী আহিব পাৰিব বিদ্যালয়লৈ

বোকাখাতৰ বিদ্যালয়ৰ সম্পৰ্কত উচ্চ ন্যায়ালয়

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ৩০ মে' ঃ** দেশত অব্যাহত থকা হিজাব বিতৰ্কৰ মাজতে গুৱাহাটী উচ্চ ন্যায়ালয়ে অলপতে বোকাখাতৰ এগৰাকী ছাত্ৰীৰ মাতৃয়ে তৰা এটা গোচৰৰ ৰায়ত এখন *১০ পৃষ্ঠাত চাওক*

## সোণাৰিত অবাধে চলিছে গাঞ্জা ব্যৱসায় ঃ নীৰৱ আৰক্ষী

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ৩০ মে' ঃ** চৰাইদেউ জিলাৰ সোণাৰি চহৰৰ পৰা ছয় কিলোমিটাৰ আঁতৰত টীয়কঘাট পকী দলঙৰ সমীপত দীৰ্ঘদিন ধৰি অবাধে গাঞ্জাৰ বেহা চলি আছে। দলংখনৰ সমীপৰ সোণাৰি-নামৰূপ পথৰ বাওফালে দক্ষিণ দিশত এখন ষ্টেচনাৰী *আঠ পৃষ্ঠাত চাওক*

## বিশ্বনাথত আৰক্ষীৰ গুলিত আহত কুখ্যাত গঁড় চিকাৰী



**ষ্টাফ ৰিপৰ্টাৰ /অগ্ৰদূত বাৰ্তা**

**তেজপুৰ/বিশ্বনাথ চাৰিআলি, ৩০ মে' ঃ** বিশ্বনাথ চাৰিআলিত আজি পুৱতি নিশা প্ৰায় দুই বজাত আৰক্ষীৰ জিম্মাৰ পৰা *১০ পৃষ্ঠাত চাওক*

■ গৃহ নিৰ্মাণৰ বাবে ক্ষতিগ্ৰস্ত ৫৯০টা পৰিয়াললৈ দুই লাখকৈ টকাৰ অৰ্থসাহায্য ঘোষণা ■ মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত দিছপুৰত বৈঠক

## বান-ভূমিস্খলনত ক্ষতিগ্ৰস্ত ডিমা হাছাওলৈ ৫০ কোটিৰ পেকেজ দিছপুৰৰ

**ষ্টাফ ৰিপৰ্টাৰ**



**গুৱাহাটী, ৩০ মে' ঃ** ৰাজ্য চৰকাৰে বান-ভূমিস্খলনত বিধ্বস্ত ডিমা হাছাওত বিভিন্ন খণ্ডৰ পুনৰ নিৰ্মাণৰ বাবে জৰুৰীভাৱে ৫০ কোটি টকাৰ পেকেজ আগবঢ়াইছে। এই পেকেজৰ অধীনত বান-ভূমিস্খলনত ক্ষতিগ্ৰস্ত গুৰুত্বপূৰ্ণ পথসমূহৰ তৎকালীনভাৱে নিৰ্মাণৰ বাবে ৩০ কোটি টকা আগবঢ়োৱা হৈছে। তদুপৰি বান-ভূমিস্খলনত ক্ষতিগ্ৰস্ত ৫৯০ টা পৰিয়ালৰ প্ৰত্যেকলৈ গৃহ নিৰ্মাণৰ বাবে দুই লাখ টকাকৈ আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে। এই শিতানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ মুঠ ১১.৮০ কোটি টকা আবণ্টনৰ ব্যৱস্থা কৰা হৈছে। এই *১০ পৃষ্ঠাত চাওক*

## আকাশত ১৪,৫০০ ফুট উচ্চতাত ভাঙি পৰিছিল নেপালৰ যাত্ৰীবাহী বিমান

এই পৰ্যন্ত উদ্ধাৰ ১৪টা মৃতদেহ

■ নিউজ ব্যুৰ'

**কাঠমাণ্ডু/পাটনা, ৩০ মে' ঃ** নেপালত ভূপতিত হোৱা অভিশপ্ত বিমানখনৰ এজনো যাত্ৰী জীৱিত অৱস্থাত নাই বুলিয়ে নিশ্চিত কৰা হৈছে। এই পৰ্যন্ত ১৪টা মৃতদেহ উদ্ধাৰ হোৱাৰ লগতে দুৰ্ঘটনা সংঘটিত হোৱা স্থান নিৰীক্ষণ কৰিয়ে নেপাল প্ৰশাসনে এই ধাৰণা কৰিছে। উল্লেখ্য যে কালি পুৱাৰ ভাগত ভূপতিত হোৱা বিমানখনত আছিল বিমানকৰ্মীসহ মুঠ ২২ যাত্ৰী। কালি দুৰ্ঘটনাস্থলী চিনাক্ত হ'লেও অন্ধকাৰ আৰু *আঠ পৃষ্ঠাত চাওক*

সক্ৰিয় হৈ আছে দুষ্টচক্ৰ ■ আশংকা বৃদ্ধি অসমলৈ

## সীমান্ততে জাল ভাৰতীয় নথি গতাই দিয়ে ৰহিংগীয়াৰ দলক

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ৩০ মে' ঃ** দেশৰ নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে ৰহিংগীয়া অনুপ্ৰৱেশকাৰীয়ে। অসমত এনে লোকৰ টিঘিলঘিলনি অত্যন্ত উদ্বেগজনক হৈছে। আৰক্ষী আৰু অন্যান্য নিৰাপত্তা বাহিনীসমূহৰ ব্যৰ্থতা প্ৰতিপন্ন কৰি ৰাজ্যত সময়ে সময়ে একাংশ ৰহিংগীয়া অনুপ্ৰৱেশকাৰী জালত পৰিছে যদিও সেয়াই যথেষ্ট নহয়। কাৰণ ভাৰতৰ নাগৰিকত্বৰ জাল নথি লৈ ৰহিংগীয়াই পিয়াপি দি ফুৰাৰ তথ্য চোৰাংচোৱাই উদ্ধাৰ কৰিছে। এনে পৰিস্থিতিৰ মাজতে বাংলাদেশৰ পৰা আহিছে আন এক উদ্বেগজনক তথ্য। ম্যানমাৰ সেনাৰ আক্ৰমণৰ বলি হৈ পলায়ন কৰা কে'বা লাখ ৰহিংগীয়া মুছলমান সম্প্ৰতি বাংলাদেশত শৰণাৰ্থী হিচাপে বাস কৰি আছে। এই শিবিৰেই ভাৰত আৰু বাংলাদেশৰ বাবে *১০ পৃষ্ঠাত চাওক*

■ শীৰ্ষস্থানত দিল্লীৰ শ্ৰুতি-দ্বিতীয় কলকাতাৰ অংকিতা-তৃতীয় যামিনী

## ইউপিএছচিত সাফল্য ৬৮৫ প্ৰাৰ্থীৰ, প্ৰথম তিনিওটা স্থান অধিকাৰ ছাত্ৰীৰ

■ নিউজ ব্যুৰ'



**নতুন দিল্লী, ৩০ মে' ঃ** শীৰ্ষ তিনিটা স্থানত ছাত্ৰীৰ দখলেৰে আজি কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)-এ ঘোষণা কৰে ২০২১ৰ অসামৰিক সেৱা পৰীক্ষাৰ ফলাফল। মুঠ ৬৮৫ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হোৱা এই পৰীক্ষাত শীৰ্ষস্থান লাভ কৰে দিল্লীৰ শ্ৰুতি শৰ্মাই। দ্বিতীয় স্থান দখল কৰে কলকাতাৰ অংকিতা আগৰৱালে আৰু তৃতীয় স্থান দখল কৰে চণ্ডিগড়ৰ যামিনী ছিংলাই। চতুৰ্থ স্থানো দখল কৰে ঐশ্চৰ্য বাৰ্মা নামৰ পৰীক্ষাৰ্থীগৰাকীয়ে। উত্তীৰ্ণসকলে যোগ্যতাৰ আধাৰত ভাৰতীয় প্ৰশাসনিক সেৱা, ভাৰতীয় বৈদেশিক সেৱা, ভাৰতীয় আৰক্ষী সেৱা আৰু কেন্দ্ৰীয় সেৱাৰ *১০ পৃষ্ঠাত চাওক*

■ ভিন্ন স্থানত স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ মুখ্যমন্ত্ৰীৰ ■ জাতি-জনগোষ্ঠীৰ সম্প্ৰীতিৰ মাজেৰে উন্নয়নৰ খোজ দিছে কাৰ্বি আংলঙে ■ বাচ্চা পাৰ্টিয়ে ক'ত কি আছে একোৱেই নাজানে

# মোতকৈ ভাল থাকিলে মুখ্যমন্ত্ৰী পদ এৰিম

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম/খেৰণি/বোকাজান, ৩০ মে' ঃ** 'মোৰ কাৰণে কোন ভাল কোন বেয়া, সেয়া প্ৰশ্ন নহয়। যদিহে তুলিৰাম ৰংহাঙতকৈ আন দক্ষ নেতা ওলায়, তেন্তে তেওঁ মুখ্য কাৰ্যবাহী সদস্যৰ আসনখন এৰি দিব লাগিব। যেনেকৈ মোতকৈ যদি বেছি কৰ্মদক্ষ কোনো ওলায়, তেন্তে ময়ো মুখ্যমন্ত্ৰীৰ আসনখন এৰি দিম।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আগন্তুক কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচন উপলক্ষে বিজেপি প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাবলৈ আহি আজি বোকাজানত সংবাদ মাধ্যমৰ আগত এই মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে আজি পাৰ্বত্য জিলা দুখনৰ একাধিক স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। *১০ পৃষ্ঠাত চাওক*



*হেলিকপ্টাৰযোগে নিৰ্বাচনী প্ৰচাৰলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা।*

■ দিছপুৰৰ আনন্দ একাডেমীৰ পৰা শিলচৰৰ ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানলৈ ■ এবছৰ নাছিকত চাকৰি কৰিছিল ৫০৬ স্থানপ্ৰাপ্তই

## কেন্দ্ৰীয় লোকসেৱা আয়োগত অসমৰ মান ৰাখিলে শিল্পা খনিকৰ-আয়ুষি কলৱাৰে

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ৩০ মে' ঃ** কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অসমৰ মান ৰাখি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিলে মহানগৰীৰ শিল্পা খনিকৰ আৰু হাইলাকান্দিৰ আয়ুষি কলৱাৰে। আজি ঘোষণা কৰা ২০২১ বৰ্ষৰ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাৰ ফলাফলত খনিকৰে ৫০৬ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে শিৱসাগৰৰ নাজিৰাৰ তথা কৰ্মসূত্ৰে মহানগৰীৰ হাতীগাঁৱৰ লখিমী নগৰৰ মেঘমল্লাৰ এপাৰ্টমেণ্টত নিগাজীকৈ বাস কৰা শৈলজানন্দ খনিকৰ আৰু ৰুবী *১০ পৃষ্ঠাত চাওক*





| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩৩° | ২৫° |
| ডিব্ৰুগড় | ৩৩° | ২৫° |
| দিল্লী | ৪০° | ২৮° |
| কলকাতা | ৩৬° | ২৮° |
| মুম্বাই | ৩৩° | ২৯° |
| চেন্নাই | ৩৬° | ২৮° |
| বাংগালুৰু | ৩১° | ২০° |
| শ্বিলং | ২৩° | ১৭° |

*৩০ মে', ২০২২*

## চেঙা তেল



*ছাৰেণ্ডাৰ কৰাবলৈ ময়ে লৈ আনিলো! বিপদ নহওক বুলি গাড়ীত নাহি খোজকাঢ়ি আহিলো!*

অসম আন্দোলনৰ ফচল ■ আমগুৰিত স্থাপন ৭০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ প্ৰকল্প

# আজি ৰাজ্যৰ সৰ্ববৃহৎ সৌৰ প্ৰকল্প উদ্বোধন



■ তিনি বছৰত এহেজাৰ মেগাৱাট সৌৰ বিদ্যুৎ উৎপাদনৰ লক্ষ্য ■ তিনি বছৰত জনসাধাৰণক ২৩ ঘণ্টা অবিৰত বিদ্যুৎ যোগান ধৰিবলৈ সক্ষম হ'ব শক্তি বিভাগ ঃ মন্ত্ৰী বৰা

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ৩০ মে' ঃ** ৰাজ্যৰ প্ৰথমটো বৃহৎ সৌৰ প্ৰকল্প কাইলৈ উদ্বোধন কৰা হ'ব। শিৱসাগৰ জিলাৰ আমগুৰিত স্থাপন কৰা এই প্ৰকল্পটোৰ জৰিয়তে ৭০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য লোৱা হৈছে বুলি আজি ইয়াত এক সংবাদমেলত সদৰী কৰে শক্তিমন্ত্ৰী বিমল বৰাই। তেওঁ কয়, 'ঐতিহাসিক অসম চুক্তিৰ ফচল এই প্ৰকল্প। অসম গণ পৰিষদ চৰকাৰৰ দিনত ১৯৮৭ত গেছভিত্তিক বিদ্যুৎ উৎপাদন কেন্দ্ৰ এটি স্থাপনৰ বাবে আমগুৰিত আধাৰশিলা স্থাপন কৰা হৈছিল। ইয়াৰ বাবে মুঠ ১,১৩৩ বিঘা ভূমি চৰকাৰে প্ৰস্তাৱ কৰিছিল; কিন্তু বিভিন্ন কাৰণত এইটো আগনাবাঢ়িল। পৰৱৰ্তী সময়ত ২০১৯ৰ ২৭ ফেব্ৰুৱাৰীত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে উক্ত স্থানত এটা সৌৰশক্তি প্ৰকল্প স্থাপনৰ *১০ পৃষ্ঠাত চাওক*

ডিব্ৰুগড়ৰ ছহিদ ন্যাসত দুই পক্ষৰ কাজিয়া

## প্ৰাক্তন আছুৰ নামত বহিষ্কৃত নেতা-সদস্যই সংগঠনৰ উদ্যোগ লোৱাৰ অভিযোগ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৩০ মে' ঃ** সদৌ অসম ছাত্ৰ সন্থাক বিভক্ত কৰি একালৰ সতীৰ্থই আন এক অৰাজনৈতিক সংগঠন খোলাৰ যোজা চলাই আছে। এই বিষয়টোক কেন্দ্ৰ কৰি আছুৰ মাজত সম্প্ৰতি বিভ্ৰান্তিৰ সৃষ্টি হৈছে। একাংশ বহিষ্কৃত নেতাই নতুনকৈ গঠন হ'বলগীয়া সংগঠনটোৰ নামত ছাত্ৰ সন্থাত বিভাজনৰ চেষ্টা চলোৱাৰ অভিযোগত আজি ডিব্ৰুগড়ৰ ছহিদ ন্যাসত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

উল্লেখ্য যে প্ৰাক্তন আছুৰ সতীৰ্থ সন্মিলন নামৰ ছাত্ৰ সন্থাৰ একাংশ প্ৰাক্তনসকলক লৈ এটা নতুন সংগঠন জন্ম দিয়াৰ আয়োজন চলি আছে। ইয়াকে কেন্দ্ৰ কৰি আজি গঠন হ'ব লগা সংগঠনটোৰ আহ্বায়কৰ স'তে ডিব্ৰুগড়ৰ ছহিদ ন্যাসত জিলা আছুৰে এক আলোচনাত মিলিত হয়। তেতিয়াই দুই পক্ষৰ মাজত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি *১০ পৃষ্ঠাত চাওক*

## 'আত্মনিৰ্ভৰ অসম'ৰ লক্ষ্যৰে নৱেম্বৰত আন্তঃৰাষ্ট্ৰীয় 'অসম পশুধন মেলা'ৰ যো-জা

দুই লাখ পালকক চামিলৰ লক্ষ্য বৰাৰ

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ৩০ মে' ঃ** নিবনুৱা সমস্যাৰে ভাৰাক্ৰান্ত অসমত নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি দুই লাখ নিবনুৱাৰ সংস্থাপন পথ সুনিশ্চিত কৰাৰ লক্ষ্যৰে অহা নৱেম্বৰত ৰাজ্যত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হ'ব 'অসম পশুধন মেলা-২০২২'। এই উদ্দেশ্যে আজি জনতা ভৱনত এক অনুষ্ঠানত বিভাগীয় মন্ত্ৰী অতুল বৰাক অধ্যক্ষ আৰু পশুধন নিগমৰ অধ্যক্ষ মনোজ শইকীয়াক কাৰ্যবাহী অধ্যক্ষৰূপে লৈ এখন সমিতি গঠন কৰা হয়। মন্ত্ৰী বৰাৰ অধ্যক্ষতা তথা নিগমৰ পৰিচালন সঞ্চালক দীপালী দেৱী আৰু বিভাগীয় বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰা এই সভাত *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত



## নাগৰিকপঞ্জীক লৈ হোৱা সকলো কেলেংকাৰিৰ চিবিআইৰ দ্বাৰা তদন্ত দাবী মহাসংঘৰ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৩০ মে'** ঃ 'প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম সম্বলিত এখন শুদ্ধ আৰু নিকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুত হোৱাটোহে অসমৰ প্ৰকৃত খিলঞ্জীয়া আৰু প্ৰকৃত ভাৰতীয় নাগৰিকে আন্তৰিকতাৰে বিচাৰে। অসমৰ ১৯৫১ৰ নাগৰিকপঞ্জীখন উন্নীত কৰাৰ নামত চলা নানা ষড়যন্ত্ৰ আৰু কেলেংকাৰিৰ বাবে অসম সন্মিলিত মহাসংঘক সদায় উদ্বিগ হৈ আহিছে। নাগৰিকপঞ্জীৰ কেলেংকাৰিৰ তিনিটা দিশ আৰ্থিক, অবৈধ বিদেশীক স্বদেশী কৰা আৰু ৰাজনৈতিক।' আজি শিৱসাগৰ প্ৰেছ ক্লাবত অনুষ্ঠিত সংবাদমেলত প্ৰথম আৰু দ্বিতীয় দিশৰ বিষয়েহে মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে এইদৰে উল্লেখ কৰে। তেওঁ কয় যে ইতিমধ্যে প্ৰস্তুত কৰা নাগৰিকপঞ্জীখনত বিশেষ ছফ্‌টৱেৰ ব্যৱহাৰ কৰি লাখ লাখ অবৈধ বিদেশীক স্বদেশী অৰ্থাৎ ভাৰতীয় নাগৰিক হিচাপে অন্তৰ্ভুক্ত কৰিছে । বিদেশী মানে দেশৰ শত্ৰু। বিদেশী শত্ৰুৰ নাম নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত কৰোৱাটো দেশদ্ৰোহী কাৰ্য । এই দেশদ্ৰোহীসকলক চিনাক্ত কৰি কঠোৰ শাস্তি বিহা উচিত। বংশবৃক্ষৰ সঠিক পৰীক্ষা নকৰাকৈয়ো অবৈধ বিদেশীৰ নাম ছয় পৃষ্ঠাত চাওক

## নলবাৰীত আজি ১৬খন আঁচনিৰ হিতাধিকাৰীৰ কল্যাণ সন্মিলন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩০ মে'** ঃ 'আজাদী কা অমৃত মহোৎসৱ'ৰ স'তে সংগতি ৰাখি ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে ভাৰত চৰকাৰৰ নটা বিভাগৰ দ্বাৰা ৰূপায়িত প্ৰায় ১৬খন আঁচনিৰ অধীনৰ হিতাধিকাৰীসকলৰ স'তে কাইলৈ মত বিনিময় কৰিব। কাইলৈ নলবাৰী নাট্য মন্দিৰত প্ৰধানমন্ত্ৰীয়ে আৱাস গৃহ নিৰ্মাণ, খোৱাপানীৰ যোগান, খাদ্য, স্বাস্থ্য আৰু পুষ্টিৰ লগতে জীৱিকা তথা বিত্তীয় অন্তৰ্ভুক্তি ৰূপায়িত বিস্তৃত আঁচনিসমূহে ছয় পৃষ্ঠাত চাওক

## যোৰহাটৰ তিনি উচ্চ শিক্ষানুষ্ঠান পৰিদৰ্শন জগদীশ মুখীৰ

# স্নাতক পৰ্যায়ৰ নামভৰ্তিত সংযুক্ত প্ৰৱেশিকা পৰীক্ষা প্ৰৱৰ্তনৰ পোষকতা ৰাজ্যপালৰ

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ৩০ মে'** ঃ অসমৰ ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে আজি যোৰহাট জিলাৰ তিনিখনকৈ উচ্চ শিক্ষানুষ্ঠান পৰিদৰ্শন কৰি শিক্ষানুষ্ঠানকেইখনৰ শৈক্ষিক তথা আন্তঃগাঁথনিৰ বুজ লয়। মাজুলীৰ পৰা গুৱাহাটীলৈ ওভতাৰ পথত অসমৰ ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে আজি বিয়লি যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত উপস্থিত হৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সদস্যসকলৰ দ্বাৰা 'গাৰ্ড অৱ অনাৰ' গ্ৰহণ কৰে। বিশ্ববিদ্যালয় পৰ্যায়লৈ উন্নীত হোৱাৰ প্ৰাক্‌ক্ষণত মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে অধ্যাপকসকলৰ স'তে মত-বিনিময়ৰ ছয় পৃষ্ঠাত চাওক



## কোকৰাঝাৰত আইপিএলৰ নামত জুৱাৰ ৰমৰমীয়া বেহা

### পাঁচজনীয়া জুৱাৰী দলক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা,**

**কোকৰাঝাৰ, ৩০ মে'** ঃ আইপিএল ক্ৰিকেটৰ নামত কোকৰাঝাৰত চলিছে জুৱাৰ ৰমৰমীয়া ব্যৱসায়। কোকৰাঝাৰ আৰক্ষীয়ে যোৱা নিশা চহৰখনৰ কহিনুৰ হোটেলত অভিযান চলাই আইপিএলৰ নামত জুৱাৰ ব্যৱসায় চলোৱা চক্ৰটোৰ পাঁচজন সদস্যক গ্ৰেপ্তাৰ কৰে। আটকাধীন জুৱাৰী কেইজন ধুবুৰী জিলাৰ বিলাসীপাৰাৰ কৌশিক সাহা (৩৪), দিবাকৰ দাস (৩৬), বাপন ৰায় (২৮), সুৰয নাথ (৩০) আৰু সঞ্জীৱ কৰ্মকাৰ (৩৫) বুলি আৰক্ষীয়ে জনাইছে। জুৱাৰীৰ দলটোৰ পৰা আৰক্ষীৰ অভিযানকাৰী দলে এখন ইন'ভা (এএছ-০১ ইডি-৪০৪৩), এখন মাৰুতি এক্সএলজি গাড়ী ছয় পৃষ্ঠাত চাওক

## মাটিয়াত গৰু চুৰিকাণ্ড ঃ ধৃত এক

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৩০ মে'** ঃ গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত কাৰিপাৰা গাঁৱৰ পৰা পাঁচটাকৈ গৰু চুৰি হোৱা ঘটনাৰ প্ৰতিক্ৰিয়া আজিও মাৰ যোৱা নাই। উল্লেখ্য যে যোৱা ১৯ মে'ৰ নিশা কাৰিপাৰা গাঁৱৰ হৰেশ্বৰ নাথৰ চাৰিটা আৰু ভূপেন কলিতাৰ এটা গৰু চুৰি কৰি নিয়ে। এই সন্দৰ্ভত পৰিয়াল দুটাৰ লোকে ঘটনাৰ পিছদিনাই মাটিয়া আৰক্ষী থানাত পৃথকে পৃথকে দুখন এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ ভিত্তিতে তদন্ত চলাই যোৱা ২৩ মে'ৰ দিনা ধূপধৰা বজাৰৰ পৰা মাটিয়া আৰক্ষীয়ে উদ্ধাৰ কৰে বিক্ৰী কৰিবলৈ নিয়া চুৰি হোৱা আটাইকেইটা গৰু। লগতে আটক কৰে জলিল আলী নামৰ এজন চোৰক। পৰৱৰ্তী সময়ত ম'বাইল ফোনৰ লোকেচন ট্ৰেক কৰি ঘটনাৰ লগত জড়িত ছয় পৃষ্ঠাত চাওক

## মৰনৈ আৰক্ষীয়ে সোণসহ গ্ৰেপ্তাৰ কৰিলে চাৰি চোৰক

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩০ মে'** ঃ গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষীয়ে চাৰি গভাইত চোৰক গ্ৰেপ্তাৰ কৰাৰ লগতে বৃহৎ পৰিমাণৰ চুৰি হোৱা সোণ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। যোৱা ২০ এপ্ৰিলত গোৱালপাৰা জিলাৰ মৰনৈত অনুষ্ঠিত হোৱা ৰঙালী বিহু সন্মিলনীৰ সাংস্কৃতিক অনুষ্ঠানৰ নিশা মৰনৈ গাঁৱৰ চাৰিটা পৰিয়ালৰ ঘৰত চোৰে লুটপাট চলাইছিল। পাছত এই সন্দৰ্ভত জেউতি দাসে মৰনৈ আৰক্ষীক এখন এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৩৮০ ধাৰাৰ অধীনত ৩৪/২২ নম্বৰত এক গোচৰ ছয় পৃষ্ঠাত চাওক

## ডিগবৈ মহিলা মহাবিদ্যালয়ত ছাত্ৰীক বৰ্খাস্ত

**ডিগবৈ, ৩০ মে'** ঃ ঐতিহ্যমণ্ডিত ডিগবৈ মহিলা মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰীৰ মাজত হোৱা সামান্য এখন কাজিয়াক লৈ মহাবিদ্যালয়খনৰ অধ্যয়নৰত ছাত্ৰীসকলৰ মাজত এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। তথ্য অনুসৰি, যোৱা ২৯ মে'ত ডিগবৈ মহিলা মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কলা শাখাত অধ্যয়নৰত টিনাৰীকা মুদৈ নামৰ ছাত্ৰীগৰাকীৰ স'তে আন দুগৰাকী সহপাঠী সামান্য কথাতে তৰ্কাতৰ্কিত লিপ্ত হয়। পৰৱৰ্তী সময়ত টিনাৰীকা মুদৈ নামৰ ছাত্ৰীগৰাকীয়ে সহপাঠী ছয় পৃষ্ঠাত চাওক

## তিনি দশক জোৰা অপেক্ষা অন্ত ঃ আজি আমগুৰি সৌৰশক্তি প্ৰকল্প উদ্বোধন

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ৩০ মে'** ঃ তিনি দশক জোৰা অপেক্ষাৰ অন্ত। কাইলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰিব আমগুৰি সৌৰশক্তি প্ৰকল্প। উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ সৌৰশক্তি প্ৰকল্পটো উদ্বোধন উপলক্ষে আমগুৰি দোপদৰস্থিত জ্ঞান বিকাশ বিদ্যাপীঠ খেলপথাৰত আয়োজন কৰা হৈছে এখন বৃহৎ ৰাজহুৱা সভাৰ। উক্ত সভাতেই মুখ্যমন্ত্ৰীয়ে ৭০ মেগাৱাট ক্ষমতা ছয় পৃষ্ঠাত চাওক

## শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ গোমাংসসহ যুৱক আটক

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ৩০ মে'** ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে কালি বংগৰ পৰা অসম লৈ আহি থকা এখন অট'ৰিক্সাত তালাচী চলাই এশ কিলোগ্ৰাম গোমাংস উদ্ধাৰ কৰে। পাছত অট'ৰিক্সাৰ চালকজনক আটক কৰি থানা লৈ আনি জেৰা কৰে। চালকজনে আৰক্ষীৰ জেৰাত কয় যে পশ্চিমবংগৰ আলিপুৰদুৱাৰ জিলাৰ শামুকতলাৰ পৰা গোমাংসখিনি ধুবুৰী জিলাৰ বিলাসীপাৰাত লৈ গৈ আছিল। এখন বিবাহ অনুষ্ঠানৰ বাবে গোমাংস আনি আৰক্ষীৰ জালত পৰা চালকজন বিলাসীপাৰাৰ কাজাইকাটা গাঁৱৰ আব্দুল ছবুৰ(৩০)। ইপিনে, আৰক্ষীয়ে জব্দ কৰা গোমাংসখিনি আজি পুৱা ১১ বজাত গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া নৱনীতা শৰ্মাৰ উপস্থিতিত থানা চৌহদৰ ভিতৰতেই পুতি পেলোৱা হয়।

## তামাৰহাটত নাও দুৰ্ঘটনাত এজনৰ মৃত্যু-কথমপি প্ৰাণৰক্ষা চাৰি শ্ৰমিকৰ

**তামাৰহাট, ৩০ মে'** ঃ ধুবুৰী জিলাৰ তমাৰহাটৰ গংগাধৰ নৈত আজি এক ভয়ংকৰ নাও দুৰ্ঘটনা সংঘটিত হয়। নাও দুৰ্ঘটনাত এজন শ্ৰমিকৰ মৃত্যু হয়। নদীৰে শিল কঢ়িওৱা নাও পানীত বুৰি দুৰ্ঘটনাটো সংঘটিত হয়। শিল লৈ গৈ থকা অৱস্থাত হঠাৎ নাওখন পানীৰ পাকত পৰি ডুব যোৱাত দিশহাৰা হৈ পৰে শ্ৰমিকসকল। ইয়াৰে চাৰিজনে নদীত জাঁপ ছয় পৃষ্ঠাত চাওক

## নগাঁৱত ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক আদৰ্শ কৃতী শিক্ষক, সমাজসেৱক বলেন্দ্ৰ নাথ শৰ্মাৰ স্মৃতিচাৰণ সভা




### বলেন্দ্ৰ নাথ শৰ্মা এজন কৰ্মনিষ্ঠ ব্যক্তি আছিল ঃ অপূৰ্ব শৰ্মা

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩০ মে'** ঃ ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক, আদৰ্শ কৃতী শিক্ষক, সমাজসেৱক, অগ্ৰণী প্ৰতিষ্ঠান ৰুমী-ৰূপকৰ প্ৰতিষ্ঠাপক প্ৰয়াত বলেন্দ্ৰ নাথ শৰ্মাৰ ২৫ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে আজি এক স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত হয়। নগাঁও সাংস্কৃতিক প্ৰকল্পৰ সভা গৃহত অনুষ্ঠিত স্মৃতিচাৰণ সভা বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰে প্ৰয়াত শৰ্মাৰ পত্নী নিৰু দেৱীয়ে। স্মৃতিচাৰণ সভাত বিশিষ্ট লেখক-সমালোচক উপেন্দ্ৰ বৰকটকীৰ সম্পাদনাত প্ৰকাশিত 'বলেন্দ্ৰনাথ শৰ্মা জীৱন আৰু কৰ্ম' নামৰ গ্ৰন্থখন উন্মোচন কৰে সাহিত্য একাডেমি বঁটাপ্ৰাপ্ত তথা বিশিষ্ট সাহিত্যিক অপূৰ্ব শৰ্মাই। গ্ৰন্থখন উন্মোচন কৰি শৰ্মাই কয় যে প্ৰয়াত শৰ্মা এজন কৰ্মনিষ্ঠ ব্যক্তি আছিল। কষ্টকৰ জীৱনৰ আৰম্ভণি তেওঁ শেষলৈকে অব্যাহত ৰাখিছিল। নগাঁৱত এটা অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰাত তেওঁৰ অনবদ্য অৰিহণা আছিল। লগতে তেওঁ কয় যে বাতৰি কাকতৰ চাহিদা বৃদ্ধিত অসম আন্দোলনে এক সুযোগ আনি দিছিল। সেই সময়ত বাতৰি কাকতৰ প্ৰচলন বৃদ্ধি পাইছিল। তেওঁ বাতৰি কাকতৰ প্ৰতি মানুহৰ আগ্ৰহ আৰু আসক্ত বৃদ্ধি কৰিছিল। লগতে বিভিন্ন সামাজিক কামৰ লগত জড়িত থাকি সমাজক সঠিকভাৱে আগবঢ়াই নিয়াত তেওঁ অৰিহণা আগবঢ়াইছিল। ছয় পৃষ্ঠাত চাওক

## নাবালিকা ছাত্ৰীক ধৰ্ষণৰ অভিযোগত শিক্ষকক যাৱজ্জীৱন কাৰাদণ্ড



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩০ মে'** ঃ দশম শ্ৰেণীৰ ছাত্ৰী এগৰাকীক ধৰ্ষণ কৰাৰ অভিযোগত এজন শিক্ষকক আজি গোৱালপাৰাৰ সত্ৰ ন্যায়াধীশ শৰ্মিলা ভূঞাৰ বিশেষ আদালতে এক ঐতিহাসিক ৰায়দানযোগে যাৱজ্জীৱন কাৰাদণ্ড বিহে। উল্লেখ্য যে গোৱালপাৰা চহৰৰ বাপুজী নগৰস্থিত চাইন্স একাডেমীৰ স্কুল শাখাৰ যোগা শিক্ষক হুমায়ুন কবিৰে ২০১৮ৰ পহিলা এপ্ৰিলৰ দিনৰ দুই বজাত স্কুল চৌহদৰ ভিতৰত এগৰাকী ১৫ বছৰীয়া ছয় পৃষ্ঠাত চাওক






# কলা আৰু শিল্প

## ড° গিৰীশ বৰুৱা



**কলাই** বহুত কাম কৰিব পাৰে। এখন সমাজক বদলাই দিব পাৰে। বিপ্লৱ কৰিবলৈ মানুহক উদগাব পাৰে ইত্যাদি। ইটালীৰ মাইকেল-এঞ্জেলো তেনেকুৱা এজন কলাকাৰ আছিল যি ইটালীলৈ নৱজাগৰণ আনিছিল। তদুপৰি কিছুমান ছবি চিৰস্মৰণীয়। এইবোৰে আমাৰ মনত বহুত দিনলৈ সাঁচ বহুৱায়। বৰ্টিচেলিৰ Birth of Venus এনেকুৱা এখন ছবি। তেনেদৰে লিওনাৰ্ডোৰ Annunciation মাইকেল-এঞ্জেলোৰ এটা মূৰ্তি David-ও উল্লেখযোগ্য। তেওঁৰ Prigioni-ও উল্লেখযোগ্য।

David-খন এখন প্ৰকাণ্ড চিত্ৰ। ইয়াৰ আকাৰ দীঘলে সোতৰ ফুট। ডেভিদৰ দেহৰ ভংগীয়ে আমাক আচৰিত কৰে। ছেন্দ্ৰ’ বৰ্টিচেলিৰ আন এখন ছবি La Mappa dell'Inferno বিখ্যাত। এই ছবিখনে ইটালীৰ পুনৰজাগৰণৰ কথা কয়। তেওঁৰ The Map of Hell-এ পৰজীৱনৰ কথা কয়। এই ছবিত তেওঁ নৰকৰ যন্ত্ৰণা বৰ্ণনা কৰিছে। তেওঁ ডাণ্টেৰ ডিভিনা কমেডিয়াৰ নৰকৰ বৰ্ণনাৰ ভিত্তি ইয়াক অংকন কৰিছে। ডিভিনা কমেডিয়াক ডাণ্টেই চতুৰ্দশ শতিকাত লিখিছিল। ইয়াত তেওঁ নৰকৰ ভয়ংকৰ ৰূপ অংকন কৰিছে।

ডাণ্টেৰ কমেডিয়াত তিনিটা খণ্ড আছে ঃ Inferno, Purgatorio আৰু Paradiso। এই তিনিটা খণ্ডৰ ভিতৰত Inferno-ৰ প্ৰতি মানুহ বেছি আকৰ্ষিত।

ডাণ্টেৰ পূৰা নাম ডাণ্টে আলিঘেয়েৰি। তেওঁ কমেডিয়াখন ১৪,২৩৩ শাৰীত পদাকাৰে লিখিছিল। ইয়াত তেওঁ প্ৰথমতে নৰকলৈ যোৱাৰ কথা কৈছে; তাৰ পাছত Purgatorio অৰ্থাৎ Purgatory-ৰ মাজেৰে স্বৰ্গলৈ যোৱা কথা কৈছে। Interno-ত নৰকত কেনেকুৱা যন্ত্ৰণা ভোগ কৰা যায় তাৰ বৰ্ণনা আছে। জনা যায় এই Inferno-ৰ বিবৰণ থকা Divina Comedia-প্ৰকাশৰ পাছত পাপী কেথলিকসকল বেছিকৈ গীৰ্জালৈ যাবলৈ ধৰিলে পাপ খণ্ডাবলৈ।

নৰকত ন-খন ঘূৰণীয়া ঠাই আছে। প্ৰতিখনৰে শাস্তিৰ ধৰণ আৰু পৰিমাণ বেলেগ বেলেগ। একেবাৰে ওপৰৰ ঠাইখনত কামুক বা আসক্তিপৰায়ণসকলক শাস্তি দিয়া হয়। ইয়াত খুব ধুমুহা বলে। এই ধুমুহাত প্ৰেতাত্মাবোৰে কষ্ট পায়। ইয়াৰ তলতে খকুৱা সকলক শাস্তি দিয়া হয়। তেওঁলোকক লেতেৰা পানীৰ নৰ্দমাত তললৈ মূৰ কৰি থোৱা হয়। তেওঁলোকে তাত ওপঙি থকা মল-মূত্ৰ খাব লগা হয়। তাৰ তলত আছে নাস্তিক সকলক শাস্তি দিয়া ঠাই। এই ঠাইত জুই জ্বলি থাকে। এই জুইয়ে নাস্তিক প্ৰেতাত্মাবোৰক পোৰে। এনেদৰে আনবোৰ নৰকৰ ঠাইৰো বৰ্ণনা আছে।

ডাণ্টেৰ Infero-ই পৃথিৱীৰ চিন্তাবিদসকলক প্ৰভাৱিত কৰি আহিছে। যেনে, লংফেল্ল’, চওচাৰ, মাৰ্ক্স, মিল্টন, বালজাক, ইত্যাদি। ৰোডিনে ইয়াৰ ওপৰতে ভিত্তি কৰি The Three Shades নামৰ ভাস্কৰ্য প্ৰস্তুত কৰে।

নৰকৰ আন এক নাম Hades.

ডাণ্টে আলিঘিয়েৰি ইটালীৰ ফ্লোৰেঞ্চত জন্মিছিল। তেওঁ বিয়েট্ৰিছ নামৰ ছোৱালী এগৰাকীক ভাল পাইছিল। তেওঁক ফ্লোৰেঞ্চৰ পৰা বহিষ্কাৰ কৰা হৈছিল। তেওঁ ইটালীৰ ইঠাই-সিঠাইত ঘূৰি ফুৰিব লগা হৈছিল। ঘৰলৈ ঘূৰি যোৱাৰ হেপাহে সদায় তেওঁক খাই মাৰিছিল।

কবি Henry Wadsworth Longfellow-এ ডাণ্টেৰ ডিভিনাথন আমেৰিকাত প্ৰথমবাৰৰ বাবে ইংৰাজীলৈ অনুবাদ কৰিছিল।

ডাণ্টে এজন কবিয়েই নাছিল, তেওঁ এজন ভাল দাৰ্শনিকো আছে। ভাল কবি হ’বলৈ হ’লে ভাল দাৰ্শনিক হ’ব লাগিব। কলাকাৰৰ ক্ষেত্ৰতো সেই একেই কথা। আচলতে কবি এজনো কলাকাৰেই, আখৰৰ ছবি আঁকা, শব্দৰ ভাস্কৰ্য তৈয়াৰ কৰা।

ডাণ্টেৰ মতে ঈশ্বৰক লগ পোৱা হয় হেনো স্বৰ্গত। এই স্বৰ্গ পাবলৈ আপুনি নৰক পাৰ হৈ Purgatory-ৰ মাজেদি আহিব লাগিব। এইটো টান কাম। এই টান কাম হাতত নল’লে স্বৰ্গকো পাব নোৱাৰি আৰু ঈশ্বৰকো পাব নোৱাৰি, ডাণ্টেৰ মতে। আমাৰ পুৰাণতো বৈতৰণী নদী পাৰ হৈহে স্বৰ্গলৈ যাব পাৰি। বৈতৰণী নদী পাৰ হোৱাটো টান।

ডাণ্টেই তেওঁৰ প্ৰখ্যাত কিতাপখনৰ নাম Comedy কিয় দিলে? নাটক দুবিধ ঃ কমেদি আৰু ট্ৰেজেদি। অসমীয়াত কমেদিক মিলনাত্মক আৰু ট্ৰেজেদিক বিয়োগান্তক বুলি কয়। বোধহয় এই ধাৰণাৰেই তেওঁ নামটো দিলে, কাৰণ শেহান্তৰত স্বৰ্গ পাই ঈশ্বৰক লগ পোৱাটো মিলনাত্মক কথাই।

কমেদি বোলাৰ আৰু এটা কাৰণ আছে। সেই সময়ত অৰ্থাৎ চতুৰ্দশ শতিকাত ইটালীত ট্ৰেজেদি লিখা হৈছিল লেটিনত আৰু কমেদি লিখা হৈছিল ইটালীয় ভাষাত। Tragedy মানে হ’ল High Literature অৰ্থাৎ উচ্চাংগ সাহিত্য। Comedy হ’ল সৰ্ব-সাধাৰণ মানুহৰ সাহিত্য। ডাণ্টেই যিহেতু কিতাপখন ইটালীয় ভাষাত লিখিছিল, সেয়ে ইয়াৰ নাম Divine Comedy বোলা হ’ল। আৰু এটা ব্যাখ্যা আছে। সেই সময়ত serious literature উচ্চাংগ ইটালী ভাষাত লিখা হৈছিল আৰু সৰ্বসাধাৰণ সাহিত্য লিখা হৈছিল ঘৰুৱা ভাষাত। Divine Comedy-খন উচ্চাংগ ইটালীয় ভাষাত লিখা নহয়; ঘৰুৱা ভাষাতহে লিখা।

Divine Comedy-ত ধৰ্ম, ইতিহাস, ৰাজনীতি, দৰ্শন আৰু সমাজবিজ্ঞানৰ সুন্দৰ সমাবেশ ঘটিছে।

মাইকেল এঞ্জেলোৰ কথালৈ উভতি আহিলে আমি পাওঁ যে তেওঁ এজন চিত্ৰকৰ আৰু ভাস্কৰ হোৱাৰ উপৰিও, তেওঁ আছিল এজন উচ্চস্তৰীয় কবি। তেওঁ প্ৰায় তিনিশ কবিতা লিখিছিল। এটা কবিতাৰ নাম আছিল ‘Dante’. আপোনালোকে জানে নিশ্চয় যে তেওঁৰ Last Judgement নামৰ চিত্ৰখন ডাণ্টেৰ Interno-ৰ প্ৰভাৱত অঁকা, বিশেষকৈ ইয়াৰ তৃতীয় অধ্যায়ৰ (Canto) ভিত্তিত।

ডাণ্টেৰ Inferno-ৰ অংকন সঁচাকৈয়ে বৰ ভয় লগা। তাত এনে চিত্ৰও আছে ঃ এজন নাৱৰীয়াই বঠাৰে নাৱত যোৱা লোকসকলক মৰিৱা। Interno-বাসিন্দাসকলক Shade বোলা হয় অৰ্থাৎ ছাঁ, অৰ্থাৎ ছায়াময় সত্তা। এইবোৰ কিছুমান দেহহীন আত্মা যিবোৰ আত্মা জীৱন আৰু মৃত্যুৰ মাজত টনা আজোৰা কৰি থাকে। তাৰমানে আত্মাৰো মৃত্যু আছে।

মাইকেল এঞ্জেলোৰ Last Judgement-ত এজন মানুহক ক্ৰূছবিদ্ধ কৰা দেখুৱা হৈছে। এইখন ছবি তেওঁ ডাণ্টেৰ বৰ্ণনাৰ ভিত্তিত অংকন কৰিছে। বাইবেলত কিন্তু তেওঁক ফাঁচি দি মৰাৰ কথাহে আছে।

মই আগতে কৈ আহিছোঁ খ্ৰীষ্টান বিশ্বাসত নৰকত নখন ঘূৰণীয়া ঠাই আছে, যাৰ শেষৰখনত চয়তান থাকে।

কিয় প্ৰাচীন কলাকাৰ আৰু শিল্পীসকলে পুৰুষ আৰু নাৰীৰ ছবি নগ্ন ভাবে অংকন কৰিছিল আৰু তেওঁলোকৰ মূৰ্তিবোৰ নগ্ন ভাবে সাজি পিয়াহ আৰু লিংগক ডাঙৰকৈ অংকন কৰিছিল বা সাজিছিল? নিশ্চয় ইয়াত কিবা যৌনতাৰ গোন্ধ পোৱা যায়, কাৰণ মানুহে যৌনতাক এৰিব নোৱাৰে, যিমানেই ভাও নোজোৰক লাগে। পৃথিৱীৰ সকলো ঠাইতে অশ্লীল সাহিত্যৰ সৃষ্টি হৈ আহিছে। অশ্লীল সাহিত্যক ইংৰাজীত pormography বোলে। ই এবিধ যৌনতা সম্পৰ্কীয় সাহিত্য। অনিয়মিত যৌনতা মানুহৰ এক ডাঙৰ সমস্যা। এই সমস্যাক লৈ বহুতো সাহিত্য ওলাইছে।

যৌনতাক বেয়া চকুৰে চোৱা অনুচিত, কাৰণ ইয়াৰ বাবেই সৃষ্টি সম্ভৱ হৈছে আৰু সৃষ্টি বৈ আছে। জৈৱ জগতত যৌনতাই প্ৰধান ভূমিকা পালন কৰে। কলাকাৰ সকলে এই ভূমিকাক তেওঁলোকে কলাত ধৰি ৰাখিবলৈ চেষ্টা কৰে। এনে কলাই আমাক যৌনতা সম্পৰ্কে বহুত কথাই কয়, আৰু শিক্ষা দিয়ে।

যৌন সম্পৰ্কীয় সমস্যাই বহুত মানুহক খাই মাৰে। তাৰ পৰা সহজতে উদ্ধাৰ পাব নোৱাৰি। পশু-পক্ষীৰ ক্ষেত্ৰত যৌন সম্পৰ্ক কৰিবৰ বাবে নিৰ্দিষ্ট ঋতু বা সময় থাকে। জন্তুৰ ক্ষেত্ৰত মাইকী জন্তুৰ ঋতুৰ সময় হ’লে যৌন সঙ্গমৰ সময়। মানুহৰ ক্ষেত্ৰত এনে সময় নাই। সেয়ে সমস্যা।

প্ৰেমহীন যৌনতা জন্তু সদৃশ। প্ৰেমৰ মাধ্যমেৰেহে মানুহে যৌনতা অৱলম্বন কৰিব লাগে। কলাকাৰসকলে এই কথাৰ ওপৰত গুৰুত্ব দিব লাগে। যৌনতাৰ বাবেই যৌনতাৰ চিত্ৰ অংকন কৰিব নালাগে। এনেকুৱা কলাই মানুহৰ যৌন ক্ষুধা বঢ়াইছে। এই ক্ষুধাই বলাৎকাৰ আদিৰ নিচিনা কৰ্মলৈ মানুহক উদগায়।

---

ডেকা কালত, ভৰ যৌৱনত অলেখ সপোন বুকুত বান্ধি খোজকাঢ়ি বা গাড়ীত উঠি পৰ্বত-পাহাৰ কেৰেলুৱাৰ দৰে বগাই ফুৰিছিলো, ৰ’দ-বৰষুণত তিতিছিলো, প্ৰচণ্ড ধুমুহা-বতাহ আৰু মেঘৰ গৰ্জনতো অৰুণাচলৰ তালী পাহাৰৰ টকৌ পাতেৰে সজা অস্থায়ী ঘৰত পুত্ৰ-পৰিবাৰসহ কেতিয়াবা ত্ৰস্তমান হৈ পৰিছিলো, বিদাক আই.বি, (ইন্সপেকছন বাংলা)ৰ পৰা সুউচ্চ কাবাক পাহাৰলৈ খোজকাঢ়ি গৈ থাকোতে চ’তৰ ধাৰাষাৰ বৰষুণ আৰু গগণ বিদীৰ্ণ কৰা মেঘৰ গাজনিত কণমানি শিশুটি পৰ্টাৰৰ পিঠিত উঠি যোৱাৰ ভয়ংকৰ কথা এতিয়াও পাহৰা নাই।

# সোঁৱৰণী অতীতৰ অৰুণাচল পাহাৰৰ



**বহু** আগৰ কিছুমান সোঁৱৰণী বা সুন্দৰ অভিজ্ঞতাৰ সোণালী দিন আজি বয়সৰ লগে লগে বিস্মৃতিৰ অতল গৰ্ভত হেৰাই গৈছে, মনত পেলাব খুজিলেওচোন মনলৈ কোনোপধ্যে নাহে। মানুহ যে তেনেই ক্ষণভংগুৰ আৰু কালৰ গতিত নিচিহ্ন হোৱা এটা অসহায়-জীৱ, সেই কথাৰ আৰু একো প্ৰমাণ নালাগে, নিজলৈ চালেই হ’ল।

ডেকা কালত, ভৰ যৌৱনত অলেখ সপোন বুকুত বান্ধি খোজকাঢ়ি বা গাড়ীত উঠি পৰ্বত-পাহাৰ কেৰেলুৱাৰ দৰে বগাই ফুৰিছিলো, ৰ’দ-বৰষুণত তিতিছিলো, প্ৰচণ্ড ধুমুহা-বতাহ আৰু মেঘৰ গৰ্জনতো অৰুণাচলৰ তালী পাহাৰৰ টকৌ পাতেৰে সজা অস্থায়ী ঘৰত পুত্ৰ-পৰিবাৰসহ কেতিয়াবা ত্ৰস্তমান হৈ পৰিছিলো, বিদাক আই.বি, (ইন্সপেকছন বাংলা)ৰ পৰা সুউচ্চ কাবাক পাহাৰলৈ খোজকাঢ়ি গৈ থাকোতে চ’তৰ ধাৰাষাৰ বৰষুণ আৰু গগণ বিদীৰ্ণ কৰা মেঘৰ গাজনিত কণমানি শিশুটি পৰ্টাৰৰ পিঠিত উঠি যোৱাৰ ভয়ংকৰ কথা এতিয়াও পাহৰা নাই। ক’ৰবাত অকণমান সোমাবলৈ পথত ক’তো মানুহ-দুনুহৰ ঘৰ এটি নাছিল। ছাটি মেলি ধৰিবলৈও ভয়, জানোচা বজ্ৰপাত পৰে। পৰ্টাৰৰ-লিডাৰ তাখৰিখ তাকেনে মুই তাজীক বনৰীয়া কচুপাত ছিঙি আনি বগী ঢকঢকী ছাৰতাম য়হা নামৰ গাভৰুজনীয়ে পিঠিত ‘বুকি’ নিয়া আমাৰ শিশুটিৰ মূৰত বৰষুণ নপৰিবলৈ জাপিৰ দৰে মূৰত জাপি দিছিল। সেই দৃশ্য, সেই ভয়াৰ্ত মুহূৰ্তৰ আমাৰ মুখবোৰ কোনো হ’ৰৰ ছবিৰ ভয়ংকৰ দৃশ্যতকৈ কোনো গুণে কম নাছিল। কলহৰ মুখেদি ঢলা ধাৰাষাৰ বৰষুণ জাক এৰাৰ পাছত গন্তব্য স্থল কাবাক আই.বিলৈ খৰখেদাকৈ আগবাঢ়োতে বিপৰীত ফালৰ পৰা আঠ-দহজন নিচি মানুহে আমাৰ দিশে আহি থকা দেখি, আমাৰ পৰ্টাৰসকলেও কঁকালৰ দাৰ নালত হাত থৈ, সতৰ্ক হৈ আগবঢ়া দেখিলো। কেইদিনমান আগতে তামেনৰ পৰা গৈ পোৱা দুগী আই.বি.ৰ ওচৰতে কোনোবাই নামনিৰ এজন নিচি মানুহক হত্যা কৰিছিল। তেতিয়াৰ দিনত পোতক তোলাৰ অতীতৰ নিয়মটো তেওঁলোকৰ মাজত চোক কমা নাছিল। তেতিয়াও ধাৰাল হৈ আছিল। গতিকে হত্যাকাৰীৰ কিবা সামান্য খবৰ পালেই হত্যাৰে তাৰ পোতক তোলাৰ নিয়মটো আছিল। দুয়োটা পক্ষ এটা সময়ত মুখামুখী হৈ লাহে লাহে পৰস্পৰ বিপৰীত দিশে আঁতৰি গ’ল। যোৱাৰ পাছত মুই তাজী বোলা প’ৰ্টাৰজনে আমাক কৈছিল, ‘সেইবিলাক কিবা কৰিলে আমিভি নাই এৰিব, ছাফা কৰি দিব’’।একেই জাত- নিচি, একেই মানুহ তথাপি এনে ভয়ংকৰ সিদ্ধান্ত ল’ব পৰা তেওঁলোকৰ দুৰ্দান্ত মন। পাৰ্থক্য ‘ওপৰ মানুহ’, ‘তলৰ মানুহ’। ‘আয়া নি’ অৰ্থাৎ ওপৰ ফালৰ মানুহৰ দ্বাৰা হত্যা সংঘটিত হ’লে তলৰ ফালৰ মানুহে ওপৰ ফালৰ যিকোনো এজন মানুহক হত্যা কৰিলে তলৰ ফালৰ মানুহৰ মান-সম্মান ৰক্ষা কৰা হ’ব, সেয়ে তেওঁলোকৰ মনৰ ভাব। গতিকে পৰস্পৰ প্ৰতি সন্দেহ সদায় আছিলেই। সাধাৰণতে ওপৰ ফালৰ মানুহক বেছি ভয়ানক বুলি গণ্য কৰা হৈছিল। আনকি তেওঁলোকৰ ভাষাটোকো তলৰ মানুহে কিছু অৱজ্ঞাৰ চকুৰে চাইছিল। সাধাৰণ এটা উদাহৰণ দিওঁ। ওপৰ ফালৰ মানুহে ‘ইয়ালৈ আহা’ বুলিলে কয়- ‘চ হাট’, তলৰ মানুহে কয়- ‘চ’ আট’। ‘নাক’ শব্দটো ওপৰ ফালে নাহাং>নাহং>নাগং>আৰু তলত সিয়ে ‘নিপুম’ হৈছে। ইয়াত আঞ্চলিক ৰূপৰ পয়োভৰ বহুত বেছি। ভাষাৰ ক্ষেত্ৰত এনে হোৱাটো একো অস্বাভাৱিক নহয়।

সেই অনগ্ৰসৰ মানুহবোৰৰ মাজত অসমৰ অসমীয়াই কেৱল চাকৰি কৰি জীৱন কটোৱা নাছিল, তাতকৈও তেওঁলোকৰ মৰম-চেনেহ, আদৰ-সাদৰত পমি গৈছিল। দিনটোৰ ২৪ ঘন্টা নিজৰ শিক্ষকৰ লগত লাগি থাকি তেওঁলোকে যি উদাৰতাৰ পৰিচয় দিছিল তাৰ ফল স্বৰূপে তেওঁলোককো অসমৰ অসমীয়া শিক্ষকে প্ৰাণ উজাৰি অন্তৰত যি আছিল তাক অকপটে সকলোখিনি দি দিছিল। শিক্ষকসকলৰ উদাৰতাই তেওঁলোকৰ শিশুবোৰক মানুহ কৰাত পাৰ্যমানে সহায় কৰিছিল। ইয়াৰ মাজতো যে অঘটন নঘটিছিল তাক নকওঁ, জ’ৰাম গাঁৱত জনৈক পাণ্ডে ছাৰক সহধৰ্মীণিসহ টুকুৰা-টুকুৰকৈ কাটিছিল, তাৰে অলপ নিলগত জনৈক শইকীয়া ছাৰক হত্যা কৰি বস্তাত ভৰাই থৈছিল আৰু কামেঙৰ পাক্কেকেছাঙৰ স্কুলত জনৈক শইকীয়া ছাৰকো ধনৰ কাৰণে নিজ ছাত্ৰই হত্যা কৰিছিল। কিন্তু তথাপি শিক্ষকসকল কৰ্তব্যত অৱহেলা কৰা নাছিল। কোনোবা অভং পিতৃয়ে শিক্ষাৰ বিৰুদ্ধে গৈ শিশুক স্কুললৈ নপঠালে, সেই গাঁৱৰ শিক্ষকে ঘৰলৈ গৈ বুজনি দিছিল, বুজনি নামানিলে তৰ্কা-তৰ্কি পাছত গৱৰা-গৱৰি হৈছিল। পিতৃক পৰাস্ত কৰি হ’লেও শিক্ষকে স্কুললৈ ছাত্ৰক লৈ গৈছিল। সমাজৰ কঠোৰ বান্ধোনে তেনে কামত সদায় সহযোগ কৰিছিল। শিক্ষকক কোনেও তাৰ বাবে হাত উঠাব পৰা নাছিল। প্ৰসংগক্ৰমে জিৰোৰ শিক্ষক এ.চি. ৰাভা ছাৰৰ নামটো লৈ থ’ব পাৰি। ৰাগাৰ এন. কে, দেউৰী চাংমাই ছাৰো সেইলেখীয়া শিক্ষক আছিল। এনেকুৱা নাম ল’লে অজস্ৰ শিক্ষকৰ নাম ল’ব লাগিব।

অৰুণাচলত আগ্ৰহী শিক্ষকসকলে সাধাৰণতে স্থানীয়সকলৰ ভাষাটো শিকি লৈছিল। যিসকলে তেওঁলোকৰ ভাষা শিকি লৈছিল, তেওঁলোকে স্থানীয়সকলৰ মাজত সমন্বয়ৰ সেতু গঢ়াত অধিক সহায় কৰিছিল। আগতে শিক্ষা বিভাগে শিক্ষকসকলৰ বাবে স্থানীয়সকলৰ ভাষা শিক্ষণৰ ব্যৱস্থা কৰিছিল। পাছলৈ সেই নিয়ম ব্যাহত হৈছিল। ভাষা শিক্ষণত এটা ডাঙৰ অসুবিধা আছিল। সেইটো হ’ল অৰুণাচলৰ প্ৰধান ২৬ জনগোষ্ঠীৰ প্ৰত্যেকৰ উপভাষা সুকীয়া সুকীয়া। তাৰ উপৰি আঞ্চলিক ৰূপবোৰো আছেই। সেয়েহে শিক্ষকসকলে এঠাইৰ পৰা আন ঠাইলৈ বদলি হৈ গ’লে নতুন ঠাইত নতুন এটা ভাষা শিকিব লগাত পৰিছিল। এইটো এটা কঠিন কাম। আমি নিজে যেনেতেনে কাম চলাব পৰাকৈ চাৰিটা উপভাষা শিকি লৈছিলো। ভাষা শিকি লোৱাত শিক্ষাদানৰ উপৰি ছাত্ৰক নিয়ন্ত্ৰণ কৰাত বহুতো সময়ত সুবিধা হৈছিল।



অৱলোকন

ৰামচন্দ্ৰ চুতীয়া

অৰুণাচলী উপভাষা শিকিব নোৱাৰাবোৰে অসমীয়া শিকি লৈছিল, অসমীয়াত কথা ক’লেও ছাত্ৰক শাসন কৰাত উজু হৈছিল। এবাৰ জিৰো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাইছ প্ৰিন্সিপাল কিমথী ছাৰে অসমীয়া ভাষাত ছাত্ৰক গালি দি শাসন কৰা আমি নিজে দেখিছিলো। আমি তাৰ কাৰণ সোধাত তেওঁ কৈছিল, ‘হিন্দী কিবা আনৰ ভাষা বুলি ভাবে, অসমীয়াত ক’লে নিজৰ ভাষাত কোৱা হেন পায়’। এইখিনিতে হাঁহি উঠা কথা এষাৰ কওঁ, স্থানীয়সকলে কিবা কথাত তৰ্কাতৰ্কি কৰিলে নিজৰ ভাষাত বা হিন্দী বা ইংৰাজীত গালি পাৰে। বেছি খং উঠিলে অসমীয়াত কয়, ‘চালা কুকুৰ, বা’দুৰি নাই কৰিবি, দুই টুকুৰা বনাব (মানে কাটি ব)’। এসময়ত অসমীয়া ভাষাৰ প্ৰভাৱো বহুত গভীৰ বা ব্যাপক আছিল। নিচিসকল বৰ খাৰাংখাচ মানুহ, বেয়া পালে চিধা কয়, ‘কুকুৰ, মিছা নাই কবি না’। কিন্তু যদিহে নিজৰ ভুলটো বুজি পায়, তাক শুধৰাবলৈ এক মিনিতো পলম নকৰে। তেতিয়া কয়, ‘আহাক মা (বেয়া নাই পাব)। আত’ মিয়ং অপ’ তিত’-আহক অকণমান আপং খাওক’। এই দাম্ভিক যেন লগা মানুহখিনিৰ এখন অতি কোমল অন্তৰো আছে। এই স্বভাৱটো আদি (গাল, মিনিয়ং, পাদাম) তাগিন আৰু আপাতানিসকলৰ মাজতো লক্ষ্য কৰিছিলো।

কথাত কথা ওলায়। এবাৰ হাগে তাকাৰ নামৰ আপাতানি সহকৰ্মী এজনৰ লগত তেওঁৰ বায়েকৰ ঘৰত ফুৰিবলৈ গৈছিলো। বায়েকে আদৰ-সাদৰকৈ তেওঁক আপং এবাটি আৰু মোক আপং নোখোৱা বাবে চাহ একাপ খুৱালে। অহাৰ সময়ত তাকাৰে বায়েকক টকা দুটা উপহাৰ দি আহিলে। তেতিয়া দুটকা মানে এতিয়া এশ টকা মানেই হ’ব বোধহয়। সেইটো নিয়মে শিক্ষকজনৰ গৰীব বায়েকক পৰোক্ষভাৱে সহায় কৰা দেখি মই তেওঁলোকৰ নিয়মৰ শলাগ লৈছিলো। আমি তথাকথিত বহুত সভ্য মানুহে এই সৰু-সুৰা কথাবোৰ নাজানো। আমাৰ সমাজত পৰৰ পালে জ্বৰৰ গাৰেও খোৱা মানুহ একশ্ৰেণী আছে।

চৰকাৰী কামত এবাৰ ৰাগাৰ মাগা গাঁৱৰ পাহাৰীয়া মিৰি মানুহ এঘৰত ৰাতি থাকিব লগা হৈছিল। আবেলি পৰত ঘৰত বুঢ়ী এগৰাকীহে আছিল। তেওঁ মোক অকলে ঘৰতে বহিবলৈ দি লাখুটি এডালৰ সহায় লৈ ওচৰৰ মানুহ এঘৰলৈ গৈ কুকুৰা কণী এটা আনিছিল গৈ! সেইটো মোৰ কাৰণে আনিছিল। নহ’লে আলহীয়ে যে ৰাতি সুদা ভাত খাব লাগিব। সেইখন ঘৰতে ৰাতি বুঢ়ীৰ পুতেকে বোৱাৰীয়েকক ফলাখৰিয়ে দুকোবমান মাৰিছিল। মানুহ গৰাকীয়ে লাজ পায় মোক কৈছিল, ‘ছাৰ দেখিবি না, মোৰ লগত এনেই পিটিছে না’। মই মাত্ৰ মানুহজনক কৈছিলো, ‘হে নিয়ম দমা, আলেমা ‘এনেকুৱা নিয়ম নাই, বেয়া হৈছে’। কাজিয়াখন সিমানতে থামিল। মানুহগৰাকীয়ে তেওঁলোকৰ নিয়মমতে ৰান্ধি-বাঢ়ি আমাক খোৱালে। সেইদিনা ভাৰতীয় নাৰীৰ সেৱাৰ মনোভাব দেখি সঁচায়ে ভাবুক হৈ পৰিছিলো। নাৰীৰ শাস্তি কেতিয়াবা বৰ অমানুষিক আছিল। দুগী স্কুলৰ শিক্ষক বৰুৱা ছাৰে কোৱামতে এবাৰ তেওঁ থকা গাঁৱত এজনী গাভৰুৰে অবৈধভাৱে যৌন সম্পৰ্ক ৰখা বাবে মাৰপিট কৰাৰ উপৰি গাঁৱৰ সকলোৱে আগতে ছোৱালীজনীক উলংগ কৰি দুই হাত দুই ভৰি বান্ধি যৌনাংগত এটা গোমধান নিক্ষেপ কৰি শাস্তি প্ৰদান কৰিছিল। আমি তালী চাৰ্কুলত স্বামীৰ ঘৰৰ পৰা পলাই অহা বা পৰ পুৰুষৰ লগত অবৈধ সম্পৰ্ক ৰখা গাভৰু বা বিবাহিতা নাৰীক আন ধৰণৰ কঠোৰ শাস্তি প্ৰদান কৰা বহুতবাৰ প্ৰত্যক্ষ কৰিছিলো। মাক-দেউতাকে তাৰ বাবে এটাও শব্দ কৰিব নোৱাৰিছিল। কাৰণ বিয়াৰ সময়ত সামাজিক নিয়ম মানিলেও কন্যাধন লোৱাৰ নিয়ম থকাত পিতৃ-মাতৃয়ে একো কথা কোৱাৰ অধিকাৰ নাথাকে।

পাঠকসকলক এইখিনিতে আন এষাৰ কথা কওঁ। আমাৰ ৰাগাৰ স্কুলৰ ওচৰতে কাবাক তামা নামৰ এজন মানুহৰ ঘৰ আছিল। তেওঁক মানুহগৰাকীয়ে সদায় কেটকেটাই থাকে আৰু এগৰাকী বিয়া নকৰোৱাৰ বাবে। তামাই আমাক কোৱাত আমি এদিন কে’বাজনো শিক্ষক তেওঁলোকৰ ঘৰলৈ গৈ তামাৰ মানুহগৰাকীক দ্বিতীয় বিবাহ যে বেয়া সেই কথা বুজালো। মানুহগৰাকীয়ে মন দি আমাৰ কথা শুনিলে, কিবা বুজা যেন দেখুৱালে। অলপ পাছত তেওঁ যি ক’লে তাৰ উত্তৰ আমাৰ ওচৰত নাছিল। তেওঁ কৈছিল, ‘ছাৰ মই অক’লে ঘৰৰ সকলো কাম কৰিব নোৱাৰো। পাহাৰলৈ গৈ খেতি-খোলা চোৱা, ল’ৰা-ছোৱালী চোৱা, ভাত ৰন্ধা, আপং বনোৱা, খৰি লুৰি অনা অনেক কাম। আৰু একটা মাইকী আনিলে দুয়ো কাম কৰাত সহজ হ’ব’। কিছুদিন পাছত সেই তামাৰ ন পত্নীৰ হাতৰ চাহ খাবলৈ নিমন্ত্ৰণ পাইছিলো। ইয়াকে কয়, সংস্কাৰ এদিনতে গঢ় লৈ নুঠে, সমাজো সেই অনুক্ৰমে আগবাঢ়িব লাগিব, তেহে কাম সিজিব। সেই ৰাগাৰে চৰকাৰী কটকী বিনয়ী জেয়পুৰে ১৩ গৰাকী তিৰোতা বিয়া পাতিছিল। তেওঁৰ মুঠ ল’ৰা-ছোৱালী ৪২টা আছিল। সেইসকলৰ বহুকেইজন আমাৰ ছাত্ৰ আছিল। তেওঁলোক দুজনমান ডাঙৰ চাকৰিয়ালো হৈছে। তেওঁৰে কন্যা বিনয়ী মায়া বা বিনয়ী য়াংগা ৰাজ্যখনৰ এগৰাকী বিখ্যাত সমাজ-সেৱিকা আছিল। তেনে কামত ঘূৰোতে মহাচীন প্ৰমুখ্যে কে’বাখনো বিদেশলৈও গৈছিল। জটিল ৰোগত মৃত্যু হোৱাৰ আগতে তেওঁ ‘অজু’ নামৰ এখন ডাঙৰ অনাথ আশ্ৰম চলাইছিল। একালত তেওঁ আমাৰ এগৰাকী সহকৰ্মী আছিল। পাছত সেই চাকৰি ইস্তফা দি পুলিচ বিষয়াও হৈছিল। তেওঁ অসমৰ বোৱাৰী আছিল। সেই বিনয়ী জেয়পুৰ ইঞ্জিনীয়াৰৰ পুত্ৰ বিনয়ী পেলেনো অসমৰ এজন ভাল জোঁৱাই। অসম অৰুণাচল সমন্বয় গঢ়াত তেওঁলোক সদায় অগ্ৰণী। বিনয়ী টেগী, বিনয়ী তামা, বিনয়ী য়াৰ’ কিমানজন যে আমাৰ ৰাগা আৰু জিৰো স্কুলৰ ছাত্ৰ আছিল। তেওঁলোকৰ পৰিয়ালটো নিজৰ পৰিয়াল যেন লাগিছিল। তেওঁলোক আটাইলৈকে আজিও মনত পৰে। বিনয়ী জেয়পুৰ দুগৰাকী ঘৈণী য়াদাম আৰু য়ানীয়াৰ লগত আমাৰ বৰ ভাল সম্পৰ্ক আছিল-তেওঁলোক দুয়ো গৰাকী সুন্দৰীয়েই নহয় সাদৰী মহিলাও আছিল।

অৰুণাচলত বহুবিবাহ আগতে বৰকৈ চলিছিল। যাৰ কন্যাধন দিয়াৰ সামৰ্থ্য আছিল তেওঁ বিবাহ কৰাটো সহজ আছিল। অন্যান্য খৰচৰ উপৰি মেথুন দুটাৰ পৰা ১০-১২টা লৈকে দিব লগা হয়। আগৰ দিনত একোটা মেথুনৰ দাম পাঁচ হেজাৰ টকাৰ ওপৰ নাছিল। এতিয়া সেই মেথুনৰ দাম লাখ টকা হওঁ হওঁ। গতিকেই মেথুনৰ অভাৱত আগৰ দিনত বিয়া পতা সম্ভৱ নাছিল। সমাজত সেয়েহে দুই-এজন বৰলাও আছিল। এতিয়া বহুতে মেথুন লৈ ছোৱালীক বিয়া দিব নোখোজে।তেনে কৰাৰ দুটা কাৰণ আছিল। বিয়াৰ পাছত ছোৱালী আগৰ দিনৰ দৰে স্বামীৰ ‘দাসী’ হৈ নপৰে। দ্বিতীয় কাৰণটো হ’ল শিক্ষিতসকলে মেথুন লৈ পূৰ্বৰ মানুহৰ দৰে নিজৰ জীয়েকহঁতক আৰু ‘বেচিব’ নোখেজে। পাছে তথাপি সেই নিয়মটো ঠায়ে ঠায়ে এতিয়াও আছে। আমাৰ অসমতো একালত বহু বিবাহ আছিল। কাৰণ ধনৱানসকলৰ বহুতে আনকি গৰীবেও একাধিক পত্নী ৰখাৰ অনেক উদাহৰণ আছে।

নিচি, পাহাৰীয়া মিৰি (এতিয়া নিচি), তাগিন, গাল’ আৰু আপাতানিসকলৰ বিয়া দেখিলে কিবা সৰগীয় দৃশ্য একোটি দেখা যেন অনুভৱ হয়। আনসকলৰ বিয়াৰ চাক্ষুস অভিজ্ঞতা আমাৰ হোৱা নাছিল। নিয়ম কাৰণবোৰ প্ৰায় একেই বুলি শুনিছিলো। অৰুণাচলৰ বিয়াবোৰত অজস্ৰ ধন খৰচ কৰা হয়। বিবাহ বিধিবোৰ সামাজিকভাৱে পালন কৰাটো সকলোৰে বাবে বাধ্যতামূলক। উল্লেখনীয় যে বহু বিবাহ কৰাসকলেও পৰিয়ালৰ প্ৰতিজন শিশুকে সমভাৱে মৰম-চেনেহ কৰে, ঘৰৰ সকলো কামো মিলিজুলি সমাধান কৰে।

ফোন ঃ ৭০৮৬২ ১৭৪২৫

---

**অসমৰ** বানপানী আৰু ভূমিস্খলনৰ সমস্যা আজিৰ কথা নহয় । অসম এখন নদী প্ৰধান ৰাজ্য, তাহানিৰ পৰা বানে তাণ্ডৱ কৰি আহিছে । এইবাৰ জেঠমহীয়া বানৰ ফলত অশেষ ক্ষতি সাধন হয়। পাহাৰ আৰু ভৈয়ামৰ প্ৰৱল বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ, বৰাক আৰু উপ-নৈ সমূহ পানীৰে ওফন্দি দুয়োপাৰে বাগৰি মথাউৰি ছিঙি তাণ্ডৱলীলাৰ সৃষ্টি কৰে। এইবাৰ সবাতোকৈ ভয়াবহ পৰিৱেশ সৃষ্টি হ’ল সমগ্ৰ ডিমা হাছাও জিলাত ভূমিস্খলন হোৱাৰ ফলত যোগাযোগ বিচ্ছিন্ন হয় আৰু ৰেলপথসমূহ বিধ্বস্ত হয়। প্ৰতি বছৰে বানৰ কবলত পৰি ঘৰ-দুৱাৰ, খেতিপথাৰ, বাট-পথ-দলং ভাগি নৈপৰীয়া, গাঁও অঞ্চলৰ ৰাইজৰ দুখ কুলাই পাচিয়ে নধৰা হয়।

# নকৈ নোৱাৰো ফটামুখ ক’লৈও লাগে ভকতৰ দোষ



**অসমৰ** বানপানী আৰু ভূমিস্খলনৰ সমস্যা আজিৰ কথা নহয় । অসম এখন নদী প্ৰধান ৰাজ্য, তাহানিৰ পৰা বানে তাণ্ডৱ কৰি আহিছে । এইবাৰ জেঠমহীয়া বানৰ ফলত অশেষ ক্ষতি সাধন হয়। পাহাৰ আৰু ভৈয়ামৰ প্ৰৱল বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ, বৰাক আৰু উপ-নৈ সমূহ পানীৰে ওফন্দি দুয়োপাৰে বাগৰি মথাউৰি ছিঙি তাণ্ডৱলীলাৰ সৃষ্টি কৰে। এইবাৰ সবাতোকৈ ভয়াবহ পৰিৱেশ সৃষ্টি হ’ল সমগ্ৰ ডিমা হাছাও জিলাত ভূমিস্খলন হোৱাৰ ফলত যোগাযোগ বিচ্ছিন্ন হয় আৰু ৰেলপথসমূহ বিধ্বস্ত হয়। প্ৰতি বছৰে বানৰ কবলত পৰি ঘৰ-দুৱাৰ, খেতিপথাৰ, বাট-পথ-দলং ভাগি নৈপৰীয়া, গাঁও অঞ্চলৰ ৰাইজৰ দুখ কুলাই পাচিয়ে নধৰা হয়। বানত বহুলোকে প্ৰাণ হেৰুৱায়, পশুধন হেৰুৱায়, খাদ্য সংকটে দেখা দিয়ে আৰু এটুপি খোৱাপানীৰ বাবে হাহাকাৰ হয়। এটা বানপানীৰ পাছত ঘৰখন কোনোমতে ঠিক ঠাক কৰেহে, আকৌ পাছত অহা বানে থানবান লগাই থৈ যায়। স্বাধীনতাৰ তিনিকুৰি পোন্ধৰটা বছৰ অতিক্ৰম, কৰাৰ পাছতো বান, খহনীয়া, ভূমিস্খলন আদি অপৰিবৰ্তিত হৈ আছে। এখনৰ পাছত সিখন চৰকাৰ আহে আজিলৈ বিজ্ঞান সন্মতভাৱে বান নিয়ন্ত্ৰণ, খহনীয়া ৰোধ কৰিবলৈ উপায় উলিয়াব পৰা নাই। বছৰি বছৰি বৰষুণৰ ফলত পাহাৰ আৰু ভৈয়ামৰ বালি, মাটি খহাই আনি নদীৰ বুকুত পৰে আৰু বাম হোৱাৰ বাবেই বহন ক্ষমতা কমে, পানী ওফন্দি দুয়োপাৰে বাগৰি মথাউৰি ছিঙি ৰাইজৰ কঁকাল ভাঙি থৈ যায়।

আমাৰ ৰাজ্যৰ পূৰ্বৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ শাসন কালত নমামি ব্ৰহ্মপুত্ৰ, নমামি বৰাক উৎসৱ জাকজমকতাৰে আয়োজন কৰি শুনিবলৈ পোৱা কথাষাৰ যে, নদীসমূহ খান্দিব, দুয়োপাৰে এক্সপ্ৰেছ হাইৱে হ’ব, জাহাজ চলাচল কৰিব, নতুন বাণিজ্যৰ সূচনা হ’ব লগতে বানপানী, গৰাখহনীয়া নিয়ন্ত্ৰণ হ’ব। বৰাক উৎসৱত এখন ড্ৰেজাৰে বৰাক নদীও খন্দাৰ দৃশ্য দেখা গ’ল যদিও পাছলৈ বাদ পৰিল। নমামী ব্ৰহ্মপুত্ৰ উৎসৱ হোৱাৰ পাছতেই ব্ৰহ্মপুত্ৰই ৰুদ্ৰমূৰ্তি ধাৰণ কৰি ৰাইজৰ কিমান দুখৰ চকুলো বাগৰালে সকলোৱে জানে। সেই উৎসৱৰ কথা আৰু কামৰ নমুনা কিমান হ’ল সকলোৱে দেখিলে । নমামি ব্ৰহ্মপুত্ৰ উৎসৱৰ পাছতো নদীৰ নামত দুটামান পূজাৰ আয়োজনো হ’ল ।

## কৃষ্ণকান্ত বুঢ়াগোহাঁই

নদীৰ নামত উৎসৱ পাতি কোটি কোটি টকা অপচয় হ’ল। তদুপৰি ২০২১ৰ নিৰ্বাচনীৰ প্ৰচাৰত শুনিবলৈ পাওঁ যে ১০০০ কিলোমিটাৰ নদী খান্দি এক্সপ্ৰেছ হাইৱে নিৰ্মাণ কৰিব । এই কাম ভাগৰ ফলাফল কি হয় সময়ে জনাব । এইবাৰ মথাউৰি নিৰ্মাণৰ সময়ছোৱাত জল সম্পদ বিভাগৰ মন্ত্ৰীয়ে ঠিকাদাৰে মথাউৰি ভালমতে নিৰ্মাণ, গাফিলতি কৰিলে কঠোৰ হ’ব বুলি জনায়। এইবাৰ বানে নতুন মথাউৰি ভাঙি হাহাকাৰ লগালে।

নকৈ নোৱাৰো নদীৰ উৎসৱ পতাতকৈ নদীৰ চৰিত্ৰ- গতিপথ সম্পৰ্কে বিশেষজ্ঞৰ পৰামৰ্শ অনুযায়ী কাম কৰিলে বান নিয়ন্ত্ৰণ-খহনীয়া ৰোধ হ’ব। তাহানি কালৰ পৰা বানপানী ভূমিস্খলন আৰু খহনীয়া অসম আৰু অসমীয়াৰ বিহুৰ দৰে এক অন্যতম প্ৰধান জাতীয় উৎসৱত পৰিণত হৈ আহিছে। প্ৰতি বছৰে উৎসৱৰ দৰে বানপানীৰ আগমন, অৱধাৰিত বান- খহনীয়া ৰাইজৰ জীৱন-জীৱিকালৈ চৰম দুৰ্যোগৰ কাল অমানিশা নমাই অনা এই ভয়াবহ সমস্যাই একে সময়তে চৰকাৰ বান নিয়ন্ত্ৰণৰ বাবে থকা, জল সম্পদ বিভাগৰ মন্ত্ৰী ক্ষণভংগুৰ ৪০-৬০ শতাংশ হাৰত অনায়াসে ভোগ কৰিবলৈ সক্ষম হোৱা কমিছনৰ সূত্ৰবোৰ জড়িত থকাৰ বাবে কোনো চৰকাৰে বানপানী সমস্যাৰ সমাধান নিবিচাৰে। মথাউৰিবোৰ শক্তিশালী ৰূপত বন্ধা হৈছেনে চোৱাৰ আহৰি নাই যেন অনুমান। বানপানী নিয়ন্ত্ৰণতকৈ বৰঞ্চ বান আৰু গৰাখহনীয়া চিৰস্থায়ী হোৱাটোকে মনে প্ৰাণে কামনা কৰে। বানপানীৰ কালছোৱাত ৰাইজৰ দুখত ঘঁৰিয়ালৰ চকু পানী টুকে।

ৰাইজৰ হকে বহু কোটিটকীয়া পৰিকল্পনা প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰ্থিক অনুদান বিছাৰে আৰু উদৰস্থ কৰাৰ অভিসন্ধিৰ বাবে জাতীয় উৎসৱ বানপানীয়েই উপযুক্ত বতৰ। তদুপৰি ৰাজ্য চৰকাৰে বানপানীৰ সাহায্য বুলি ৰাইজৰ পৰা সহায় বিচৰা নিয়ম আছেই । গতিকে বতৰ চাই কঠীয়া পৰা । বানপানীৰ নামত বিতৰণ কৰা খাদ্যসমূহ বানাক্ৰান্তৰ উপৰি সৰহ ভাগ কোনফালে কোনপাকে গুচি যায় ঠিকনা নাই। অসমৰ বানপানীয়ে বিশেষভাৱে উপকৃত কৰিছে জল সম্পদ বিভাগটো, সোণৰ কণী পৰা হাঁহত পৰিগণিত হৈছে। চৰকাৰৰ বৰমূৰীয়াসকলে, হেলিকপ্টাৰেৰে বানপীড়িত অঞ্চল পৰিদৰ্শন কৰিব । কিছুদিনলৈ এটোপোলা চাউল, চিৰা, নিমখ বিতৰণ কৰি সামৰিব। কেন্দ্ৰই বানপানীৰ সময়ছোৱাত আহিবলৈ আহৰি নাপায় পানী শুকোৱাৰ পাছত আকাশীযানেৰে এপাক চাই যায়হি বা কোনো মন্ত্ৰী বা বিষয়াক পঠিয়াই বুলিব পাৰি। অসমৰ ৰাইজে বানপানী সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিবলৈ দাবী জনালেও কেন্দ্ৰীয় চৰকাৰে নস্যাৎ কৰি আহিছে। ৰাজ্য চৰকাৰেও একে দলৰ কেন্দ্ৰীয় চৰকাৰক ৰাষ্ট্ৰীয় সমস্যা বুলি মানি ল’বলৈ চিন্তা কৰা নাই। বানপানী মানে এশ্ৰেণীৰ হিচাপ নিকাচ ।

এসময়ত চীনৰ হোৱাংহো নদীখন জনগণৰ দুখৰ চকুলো আছিল, এতিয়া আনন্দৰ চকুলো। বাৰিষা কালত বৰষুণৰ পানীৰ বাহিৰেও নদীবান্ধৰ তাপবিদ্যুৎ প্ৰকল্পবোৰে এৰি দিয়া অতিৰিক্ত পানী ভাগেও সময়ে সময়ে বানৰ সৃষ্টি কৰি ক্ষতি সাধন কৰে। এতিয়া বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগ, উৎসৱতকৈ বৈজ্ঞানিক ভিত্তিৰে ব্ৰহ্মপুত্ৰ আৰু আন নদীসমূহৰ বক্ষ, গতিপথ, চৰিত্ৰসমূহ পৰ্যবেক্ষণ কৰি আগবাঢ়িব লাগিব । বিজ্ঞানৰ যুগত ডাঙৰ ডাঙৰ পুখুৰী খান্দি বানপানী নিয়ন্ত্ৰণ কৰা কথাবোৰ হাস্যকৰ । আমাৰ ৰাজ্য চৰকাৰে ন ন আঁচনিৰ চমকৰ সলনি জ্বলন্ত সমস্যা বান, খহনীয়া ক্ষেত্ৰত গুৰুত্ব নিদিলে নৈ পৰীয়া আৰু গাঁওসমূহৰ ৰাইজৰ দুখ -দুৰ্দশাৰ কাহানিও অন্ত নপৰে। এয়া বাৰিষাৰ আৰম্ভণিতেই প্ৰলয়ংকৰী বানে তচনচ কৰিলে আৰু পাছলৈ কি ভয়ংকৰ ৰূপ ধাৰণ কৰে ঠিকনা নাই।

চৰকাৰে নদী খান্দিব, হাইৱে’ বনাব বিষয়বোৰ চৰকাৰৰ। তথাপি মোৰ মনৰ ভাৱ ব্যক্ত কৰিছো যে খৰালি কালত ব্ৰহ্মপুত্ৰ বা উপ নৈসমূহৰ পানী শুকাই বৃহৎ বহু দূৰ বিয়পি থকা মনিব নোৱাৰালৈকে বালিচৰবোৰ ওলাই পৰে। যদি ব্ৰহ্মপুত্ৰৰ পানী থকা অংশ বাদ দি বৃহৎ শুকান বালিচৰসমূহ কমেও ১০ বা ১৫ ফুট দ’কৈ খন্দাৰ ব্যৱস্থা কৰিলে ভাল হয়। এই বালি, মাটি, পলসসমূহ ব্যক্তিগত লোকক বা ঠিকাদাৰসকলক প্ৰতিখন গাড়ীত কম পক্ষে ৫০ বা১০০ টকাকৈ মূল্য নিৰ্ধাৰণ কৰি খান্দি নিবলৈ ব্যৱস্থা কৰক নদীৰ বক্ষ খন্দা কামত ব্যক্তিগতভাৱে যিকোনো প্ৰকাৰে খান্দিব। নদীৰ বক্ষৰ বালি, পলস বা মাটিসমূহ, মথাউৰি ৰাস্তা-ঘাট, খাল-ডোং পোতা, ঘৰবাৰীত ব্যৱহাৰ কৰিব পৰা যাব। বছৰি বছৰি নদীৰ বুকুত জমা হোৱা বালি, পলসসমূহ কমেও ১০ বা ১৫ ফুট দ’ কৰি খান্দি নিবলৈ দিয়াৰ ব্যৱস্থা আৰু প্ৰতি গাড়ীৰ বাবদ মূল্য ধাৰ্য কৰিলে চৰকাৰৰ ৰাজভঁৰাললৈ কোটি কোটি টকাৰ ৰাজহ আহিব। বৃহৎ অংশৰ বালিচৰৰ একোটা অংশত পলস, বালি, মাটিৰে যথেষ্ট ওখকৈ পূৰ কৰি নতুনকৈ বসবাস কৰিবলৈ ভূমিৰ সৃষ্টি কৰিব পৰা যাব তেনে ব্যৱস্থা কৰিব পাৰিলে ভূমিহীন লোকে বনাঞ্চল দখল কৰিবলৈ এৰিব। নদীৰ বক্ষ খন্দাৰ কাম হ’লে কোনো লোকে পাহাৰ খহাই চুৰি কাৰ্য নকৰিব বুলি ভাবো। নদীৰ বক্ষ খন্দাৰ ব্যৱস্থা নকৰিলে বানপানী আৰু খহনীয়াৰ পৰা ৰক্ষা পৰাৰ সম্ভাৱনাও নাই। বৃহৎ বৃহৎ বালিচৰসমূহ ছন পেলাই নথৈ বৈজ্ঞানিক দৃষ্টিৰে নদী খনন কৰি কিছু ভূমি সৃষ্টি কৰি কৃষি বিপ্লৱৰ সূচনা কৰিব পৰা যাব। চিন্তা কৰাৰ সময় । প্ৰতি বছৰ খৰালি কালত খান্দি নিয়াৰ ব্যৱস্থা কৰিলে বানপানীৰ তাণ্ডৱ আৰু খহনীয়াৰ পৰা ৰক্ষা হ’ব। বানপানী বছৰি আহে যায়, ৰাইজৰ কঁকাল ভাঙি থৈ যায়। চৰকাৰে এটোপোলা খাদ্য সামগ্ৰী বিতৰণ কৰি থকাতকৈ নদীৰ চৰিত্ৰ, গতিপথ নিৰীক্ষণ কৰি এঁকাবেঁকা পথসমূহ পোন কৰি, বিজ্ঞান আৰু প্ৰযুক্তিৰে বিশেষজ্ঞৰ পৰামৰ্শ লৈ, কাম কৰিব লাগিব। নহ’লে প্ৰতিটো বানত ৰাজভঁৰাল উদং কৰি খাদ্য সামগ্ৰী বিতৰণ কৰাৰ বাহিৰে গত্যন্তৰ নাই। বানপানী পৰিদৰ্শন কৰিবলৈ যোৱা জনপ্ৰতিনিধিক যদি ডাং কোলা কৰি নিবলগীয়া হয়, তেনে গৰাকীৰ পৰা ৰাইজৰ কি উপকাৰ হ’ব । সেয়েহে তাহানিৰ সাংসদ হেম বৰুৱাৰ কথা আজিৰ জনপ্ৰতিনিধিসকলে জনা দৰকাৰ।

ফোন ঃ ৯৯৫৪৮১৭০৯৭

## চীনত হ্ৰাস ক'ভিডৰ সংক্ৰমণ, ২৪ ঘণ্টাত আক্ৰান্ত ২০ জন



**নিউজ ব্যুৰ', বেইজিং, ৩০ মে' ঃ** চীনত কৰ'না ভাইৰাছৰ সংক্ৰমণ লাহে লাহে হ্ৰাস পাবলৈ ধৰিছে। চীনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আয়োগৰ প্ৰতিবেদনত আজি উল্লেখ কৰা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশখনত নতুনকৈ ২০ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। বেইজিঙত নতুনকৈ আঠজন আৰু তিয়ানজিন আৰু ছাংঘাইত ছজনকৈ লোক কৰ'নাত বিগত এদিনত সংক্ৰমিত হ'ল। সম্প্ৰতি চীনত ২,৭৪৮ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে। যোৱা শনিবাৰে চীনত ৫৪ জন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল।

## কৃষক সন্মিলনত কৃষক নেতা টিকাইতক চিঞাহী আক্ৰমণ



**নিউজ ব্যুৰ', বাংগালুৰু, ৩০ মে' ঃ** কৃষক সন্মিলনত অংশ ল'বলৈ গৈ অপদস্থ হ'ল ভাৰতৰ কিষাণ মৰ্চাৰ নেতা ৰাকেশ টিকাইত। আজি দুপৰীয়া টিকাইতক এখন কৃষক সন্মিলনত অংশ লোৱাৰ সময়ত চিঞাহী দলিয়াই আক্ৰমণ কৰিলে কেইজনমান লোকে। এই ঘটনাৰ বাবে স্থানীয় বিজেপি চৰকাৰক জগৰীয়া কৰিলে কৃষক নেতাজনে। কৰ্ণাটকত আয়োজিত ভাৰতীয় কিষাণ মৰ্চাৰ সভাত সংঘটিত হোৱা এই ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। টিকাইতৰ অভিযোগ অনুসৰি ৰাজ্যৰ বিজেপি চৰকাৰে তেওঁলোকৰ বাবে কোনো আৰক্ষীৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা নাছিল। সন্মিলনৰ সমাপ্তিত সাংবাদিক বৈঠকৰ পূৰ্বে কেইজনমান লোকে হঠাতে টিকাইতৰ মুখলৈ চিঞাহী দলিয়াই দিছিল। কোনে কি কাৰণত এই ঘটনা সংঘটিত কৰিলে সেয়া এতিয়াও স্পষ্ট হোৱা নাই। ইতিমধ্যে আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে।

## ৰাজ্যসভাৰ নিৰ্বাচন ঃ কৰ্ণাটকৰ পৰা সীতাৰমণ, মহাৰাষ্ট্ৰৰ পৰা গোৱেল হ'ব প্ৰাৰ্থী



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ মে' ঃ** ৰাজ্যসভাৰ আগন্তুক নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিলে বিজেপিয়ে। দলটোৱে ১৬ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। বিজেপিয়ে কৰ্ণাটকৰ পৰা কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক ৰাজ্যসভালৈ প্ৰেৰণৰ সিদ্ধান্ত ল'লে। একেদৰে দলটোৱে পীয়ুষ গোৱেলক মহাৰাষ্ট্ৰৰ পৰা উচ্চ সদনলৈ প্ৰেৰণ কৰিব। উল্লেখ্য যে দেশৰ ১৫ খন ৰাজ্যত খালী হোৱা ৰাজ্যসভাৰ ৫৭ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু মঙলবাৰে অধিসূচনা জাৰি কৰিব।

## কংগ্ৰেছত হ'ল বঞ্চিত, ৰাজ্যসভাৰ টিকট নোপোৱাত ক্ষুব্ধ নাগমা

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩০ মে' ঃ** ৰাজ্যসভাৰ আগন্তুক নিৰ্বাচনৰ বাবে কংগ্ৰেছে ইতিমধ্যে ১০ জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। কংগ্ৰেছৰ প্ৰাৰ্থী ঘোষণাৰ পাছতে ক্ষোভ প্ৰকাশ কৰিলে দলীয় নেত্ৰী তথা জনপ্ৰিয় অভিনেত্ৰী নাগমাই। দলৰ মহিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা নাগমাই মহাৰাষ্ট্ৰৰ পৰা ৰাজ্যসভাৰ টিকট লাভ কৰিব বুলি আশা কৰিছিল। কিন্তু দক্ষিণ ভাৰতৰ জনপ্ৰিয় অভিনেত্ৰীগৰাকীৰ এই প্ৰত্যাশা পূৰণ নকৰিলে কংগ্ৰেছে। নাগমাৰ পৰিৱৰ্তে দলে প্ৰাৰ্থিত্ব প্ৰদান কৰিলে উত্তৰ প্ৰদেশৰ বাসিন্দা ইমৰান প্ৰফতাগিৰিক। এই ঘটনাৰ পাছতে টুইটাৰত ক্ষোভ প্ৰকাশ কৰি নাগমাই কয়, '১৮ বছৰত অতিবাহিত হ'ল। সুযোগ লাভ নকৰিলো। এইবাৰ মহাৰাষ্ট্ৰৰ পৰা ৰাজ্যসভাৰ টিকট লাভ কৰিলে ইমৰানে। মই যোগ্য নাছিলো নেকি?' উল্লেখ্য যে লোকসভাৰ বিগত নিৰ্বাচনত বিজেপিয়ে নাগমাক টিকট প্ৰদানৰ প্ৰস্তাৱ দিছিল যদিও অভিনেত্ৰীগৰাকীয়ে কংগ্ৰেছ ত্যাগ নকৰিলে। কিন্তু কংগ্ৰেছত থাকিও ৰাজ্যসভাৰ টিকটৰ পৰা পুনৰ বঞ্চিত হোৱাত আজি নাগমাই সামাজিক মাধ্যমৰ জৰিয়তে নিজৰ ক্ষোভ ব্যক্ত কৰিলে।



## কাশ্মীৰত সক্ৰিয় হৈ আছে পাকিস্তানৰ সাহায্যপ্ৰাপ্ত দুই সন্ত্ৰাসবাদী সংগঠন ঃ সত্য হ'ল ভাৰতৰ আশংকা

# লস্কৰ-জইচক পৃষ্ঠপোষকতা প্ৰদান তালিবানৰ ঃ ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩০ মে' ঃ** তালিবানে আফগানিস্তান পুনৰ দখল কৰাৰ পাছতে দেশখন জেহাদীৰ ৰম্যভূমিত পৰিণত হ'ব বুলি ভাৰতে শংকা প্ৰকাশ কৰিছিল। ভাৰতৰ এই আশংকাক সত্য প্ৰমাণ কৰি ৰাষ্ট্ৰসংঘৰ এখন প্ৰতিবেদনত স্পষ্টভাৱে উল্লেখ কৰা মতে, দুই সন্ত্ৰাসবাদী সংগঠন জইচ ই মহম্মদ আৰু লস্কৰ ই তৈবাক আফগানিস্তানত বিশেষ পৃষ্ঠপোষকতা প্ৰদান কৰিছে তালিবানে। দীৰ্ঘদিন ধৰি ভাৰতত কূটাঘাতমূলক কাৰ্য সংঘটিত কৰি আহিছে এই দুটা সন্ত্ৰাসবাদী



সংগঠনে। বিশেষকৈ কাশ্মীৰ উপত্যকাত সক্ৰিয় হৈ আছে পাকিস্তানৰ সাহায্যপ্ৰাপ্ত এই দুই সন্ত্ৰাসবাদী সংগঠনে।

আফগানিস্তানত তালিবানে পুনৰ চৰকাৰ গঠন কৰাৰ পাছতে ভাৰতে আশংকা প্ৰকাশ কৰি কৈছিল যে তালিবানৰ প্ৰত্যাৱৰ্তনত আকৌ এবাৰ শক্তিশালী হ'ব লস্কৰ আৰু জইচ। কাশ্মীৰত আফগান সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশ হ'ব পাৰে বুলিও ভাৰতত শংকা প্ৰকাশ কৰিছিল।

এই সন্দৰ্ভত ভাৰতীয় চোৰাংচোৱাই যি তথ্য পূৰ্বে লাভ কৰিছিল সেয়া সত্য প্ৰমাণিত কৰিলে ৰাষ্ট্ৰসংঘৰ তালিবান ছেংকচনছ কমিটী আৰু ছিকিউৰিটি কাউন্সিল কমিটীৰ মণিটৰিং গোটৰ প্ৰতিবেদনে। এই প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি জইচ ই মহম্মদ আৰু লস্কৰ ই তৈবাৰ সন্ত্ৰাসবাদীক প্ৰশিক্ষণ প্ৰদান কৰিছে তালিবানে। আফগানিস্তানৰ নানগৰহাৰ প্ৰদেশত জইচ ই মহম্মদৰ আঠটা প্ৰশিক্ষণ শিবিৰ আছে। ইয়াৰে তিনিটা প্ৰত্যক্ষভাৱে তালিবানে নিয়ন্ত্ৰণ কৰি আহিছে। কুনাৰ আৰু নানগৰহাৰত এনেধৰণৰ তিনিটা প্ৰশিক্ষণ শিবিৰ আছে লস্কৰ ই তৈবাৰ। উল্লেখ্য যে ২০২১ৰ ১৫ আগষ্টত তালিবানে কাবুল দখল কৰিছিল। ইয়াৰ পাছৰে পৰা তালিবানৰ পৃষ্ঠপোষকতাত লস্কৰ ই তৈবা আৰু জইচ ই মহম্মদৰ বিশেষ কেতবোৰ ঘাটি আফগানিস্তানৰ বিভিন্ন অঞ্চলত সক্ৰিয় হৈ উঠিছে বুলি এই প্ৰতিবেদনত দাবী কৰা হৈছে।

## ৰামমন্দিৰ প্ৰসংগ উল্লেখ কৰি যোগীয়ে ক'লে, 'কাশী-মথুৰাও জাগ্ৰত হৈছে'



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩০ মে' ঃ** অযোধ্যাত ৰামমন্দিৰ নিৰ্মাণৰ কাম অব্যাহত আছে। এইবাৰ লক্ষ্য কাশী, মথুৰা আৰু বৃন্দাবন। এনে এক ইংগিত দিলে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। উল্লেখ্য যে জ্ঞানবাপীৰ লগতে মথুৰা আৰু বাৰানসীটো মন্দিৰ-মছজিদক লৈ আইনী বিবাদ অব্যাহত আছে। এনে পৰিস্থিতিতে যোগীয়ে মন্তব্য কৰি ক'লে যে ৰামমন্দিৰ নিৰ্মাণৰ পাছত এতিয়া মন্দিৰ চহৰ কাশী, মথুৰা, বৃন্দাবন, বিন্ধ্যাবাসিনী ধাম পুনৰ জাগ্ৰত হৈ উঠিছে। এনে পৰিস্থিতিত আমি আগুৱাই যাব লাগিব বুলিও যোগীয়ে মত প্ৰকাশ কৰে। উল্লেখ্য যে কালি লক্ষ্ণৌত বিজেপিৰ ৰাজ্যিক কমিটীৰ এখন বৈঠক অনুষ্ঠিত হৈছিল আৰু অংশ লোৱাৰ সময়তে যোগীয়ে ৰামমন্দিৰ প্ৰসংগত এনে তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰকাশ কৰে।

## উত্তৰ প্ৰদেশত কুকুৰ পুহিলে ল'ব লাগিব অনুজ্ঞাপত্ৰ, অন্যথা ৫,০০০ টকা জৰিমনা

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩০ মে' ঃ** যদি আপুনি উত্তৰ প্ৰদেশত কুকুৰ ঘৰত পুহিব বিচাৰে তেন্তে অচিৰে ইয়াৰ বাবে ল'ব লাগিব প্ৰয়োজনীয় অনুজ্ঞাপত্ৰ। উত্তৰ প্ৰদেশ চৰকাৰে কুকুৰ পালনৰ ক্ষেত্ৰত অনুজ্ঞাপত্ৰ গ্ৰহণ কৰাটো বাধ্যতামূলক কৰাৰ সিদ্ধান্ত লৈছে। উল্লেখ্য যে লক্ষ্ণৌত স্থানীয় প্ৰশাসনে পূৰ্বে এই নীতি প্ৰৱৰ্তন কৰি কুকুৰ প্ৰতিপালনৰ বাবে চহৰৰ বাসিন্দাক অনুজ্ঞাপত্ৰ প্ৰদানৰ ব্যৱস্থা লৈছিল। এইবাৰ যোগী আদিত্যনাথৰ চৰকাৰে ৰাজ্যজুৰি কুকুৰ প্ৰতিপালনৰ ক্ষেত্ৰত অনুজ্ঞাপত্ৰ গ্ৰহণ কৰাটো বাধ্যতামূলক কৰিব বিচাৰিছে। অনুজ্ঞাপত্ৰ অবিহনে কোনো ব্যক্তিয়ে ঘৰত কুকুৰ প্ৰতিপালন কৰিলে ৫,০০০ টকা জৰিমনা ভৰিব লাগিব আৰু উক্ত কুকুৰক নগৰপালিকাই জব্দ কৰিব।



## বাংলাদেশত বাছ দুৰ্ঘটনাত কমেও ১০ জন লোকৰ মৃত্যু



**নিউজ ব্যুৰ' ঢাকা, ৩০ মে' ঃ** ভয়াৱহ বাছ দুৰ্ঘটনা সংঘটিত হ'ল বাংলাদেশত। আজি পুৱাতে দেশখনৰ বৰিশালৰ উজিৰপুৰত এখন যাত্ৰীবাহী বাছে নিয়ন্ত্ৰণ হেৰুৱাই এজোপা গছত খুন্দা মৰাৰ ফলত কমেও ১০ জন লোকৰ প্ৰাণহানি ঘটে। এই দুৰ্ঘটনাত আন ২০ জন লোক গুৰুতৰভাৱে আহত হৈছে। বাছখনে উজিৰপুৰৰ পৰা পিৰুজপুৰলৈ যাত্ৰা কৰাৰ সময়তে এইদৰে দুৰ্ঘটনাত পতিত হয়। আহত কে'বাজনৰো অৱস্থা সংকটজনক হোৱাৰ প্ৰতি লক্ষ্য ৰাখি মৃতকৰ সংখ্যা অধিক বৃদ্ধিৰ শংকা আছে।

## পঞ্জাৱী সংগীতশিল্পীক ভাবুকি খালিস্তানী সন্ত্ৰাসবাদীৰ ঃ মুছেৱালাৰ দৰে হ'ব পৰিণতি

**নিউজ ব্যুৰ', চণ্ডীগড়, ৩০ মে' ঃ** পঞ্জাৱী সংগীতশিল্পী তথা কংগ্ৰেছৰ নেতা সিদ্ধু মুছেৱালাৰ হত্যাকাণ্ডৰ পাছত খালিস্তানী সন্ত্ৰাসবাদী সংগঠন শিখছ ফৰ জাষ্টিচ (এছ এফ জে)-এ এখন ভাবুকিপত্ৰ জাৰি কৰিলে। এছ এফ জেৰ মুৰব্বী গুৰুপটবন্ত সিং পন্নুৱে পঞ্জাৱী সংগীত শিল্পীসকলক ভাবুকি দি কয় যে খালিস্তানী আন্দোলনৰ প্ৰতি এইসকল শিল্পীয়ে



সমৰ্থন ব্যক্ত নকৰিলে তেওঁলোকৰ পৰিণতিত মুছেৱালাৰ দৰে হ'ব। উল্লেখ্য যে সম্প্ৰতি এছ এফ জেৰ কাম-কাজ কানাডাৰ পৰা পৰিচালিত হৈছে আৰু মুছেৱালাৰ হত্যাৰ দায়িত্ব কানাডাত থকা লৰেন্স বিষ্ণই গোটে ইতিমধ্যে স্বীকাৰ কৰিছে। পন্নুৱে মুছেৱালাৰ হত্যাৰ কথা উল্লেখ কৰি ভাবুকি পত্ৰত পঞ্জাৱী সংগীতশিল্পীসকলক উদ্দেশি এইদৰে কয়, 'মৃত্যু নিচেই কাষত, সেয়েহে এতিয়া খালিস্তানী আন্দোলন সমৰ্থন কৰাৰ সময় উপস্থিত হ'ল।' উল্লেখ্য যে পন্নুৱে পূৰ্বেও পত্ৰ আৰু ভিডিঅ' বাৰ্তাৰ জৰিয়তে পঞ্জাৱ আৰু হাৰিয়ানাত বিভিন্ন লোকক ভাবুকি দি আহিছে। খালিস্তানী সন্ত্ৰাসবাদী সংগঠনৰ মুৰব্বীজনে ম'বাইলতো বাৰ্তা প্ৰেৰণ কৰি বহুতকে ভাবুকি দিছে।

## মধ্য প্ৰদেশৰ গৃহমন্ত্ৰীৰ পঞ্জাৱৰ মুখ্যমন্ত্ৰীক কটাক্ষ, কমেডীৰ দৰে চৰকাৰ পৰিচালনা সহজ নহয়



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ মে' ঃ** পঞ্জাৱৰ জনপ্ৰিয় সংগীতশিল্পী সিদ্ধু মুছেৱালাৰ হত্যাকাণ্ডক লৈ উত্তপ্ত হৈ উঠিছে ৰাজনীতি। সংগীতশিল্পীজনৰ হত্যাকাণ্ডৰ বাবে বিৰোধী দলসমূহে পঞ্জাৱৰ আপ নেতৃত্বাধীন ভগৱন্ত মানৰ চৰকাৰক জগৰীয়া কৰিছে। এইবাৰ মধ্যপ্ৰদেশৰ গৃহমন্ত্ৰী নৰোত্তম মিশ্ৰাই পঞ্জাৱৰ মুখ্যমন্ত্ৰী কটাক্ষ কৰি ক'লে যে কমেডী কৰাৰ দৰে চৰকাৰ পৰিচালনা কৰাটো সহজ নহয়। গৃহমন্ত্ৰীজনে এইদৰে কয়, 'চৰকাৰখনৰ মাত্ৰ এমাহ হৈছে। যোৱা পাঁচ মে'ত ৰকেট লাঞ্চাৰেৰে আক্ৰমণ সংঘটিত হ'ল, চৰকাৰে একো কৰিব নোৱাৰিলে। মুছেৱালাৰ নিৰাপত্তা প্ৰত্যাহাৰ কৰা হ'ল আৰু তেওঁক হত্যা কৰা হ'ল। কমেডী কৰি নাম অৰ্জন কৰাটো বেলেগ কথা আৰু চৰকাৰ চলোৱাটো আন এক কথা। সকাহ এয়ে যে দিল্লী আৰক্ষী অৰবিন্দ কেজৰিৱালৰ অধীনস্থ নহয়, অন্যথা তেওঁ দিল্লীকো চম্ভালিব নোৱাৰিলেহেঁতেন।'

## বিজেপিত যোগদানৰ সন্দৰ্ভত কি ক'লে হাৰ্দিক পেটেলে?



**নিউজ ব্যুৰ', আহমেদাবাদ, ৩০ মে' ঃ** অলপতে কংগ্ৰেছ ত্যাগ কৰা পাতিদাৰ নেতা হাৰ্দিক পেটেলে বিজেপিত যোগদান কৰিব বুলি ব্যাপক জল্পনা-কল্পনা অব্যাহত আছে। উল্লেখ্য যে শেহতীয়াভাৱে কংগ্ৰেছ নেতৃত্বৰ প্ৰতি তীব্ৰ ক্ষোভ প্ৰকাশ কৰি হাৰ্দিকে দলটো ত্যাগ কৰিছিল। কংগ্ৰেছ ত্যাগৰ পাছত হাৰ্দিকে এইবাৰ গুজৰাটৰ শাসকীয় দলত যোগদান কৰিব নেকি বুলি প্ৰশ্ন উত্থাপিত হৈছে। হাৰ্দিকে বিজেপিত যোগদান কৰিলে দলটোৰ ভেটি গুজৰাটত অধিক সবল হোৱাটো নিশ্চিত। পাতিদাৰ সম্প্ৰদায়ৰ প্ৰতিনিধি হিচাপে হাৰ্দিকৰ গুজৰাটত এক বিশেষ প্ৰভাৱ আছে। স্বাভাৱিকতে পাতিদাৰ নেতাজনৰ ভৱিষ্যৎ পৰিকল্পনাক লৈ গুজৰাটৰ ৰাজনীতিৰ উৎকণ্ঠা অব্যাহত আছে। এনে সময়তে আজি হাৰ্দিকে বিজেপিত যোগদানৰ সন্দৰ্ভত নেতিবাচক ইংগিত দিলে। হাৰ্দিকে প্ৰকাশ কৰা অনুসৰি এতিয়াও তেওঁ বিজেপিত যোগদানৰ কথা ভবা নাই। অৱশ্যে এনে সম্ভাৱনা সৃষ্টি হ'লে তেওঁ নিজে অৱগত কৰিব বুলি জানিবলৈ দিয়ে।

## ২৪ ঘণ্টাত আটাৰ মূল্য হ্ৰাস নহ'লে নিজৰ কাপোৰ বিক্ৰী কৰিব পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে



**নিউজ ব্যুৰ', ইছলামাবাদ, ৩০ মে' ঃ** পাকিস্তানৰ নতুন প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে দেশৰ ক্ষমতা লাভ কৰাৰ ৪০ দিন হ'ল যদিও ব্যাপক মূল্যবৃদ্ধিৰ পৰিপ্ৰেক্ষিতত শ্বৰীফ চৰকাৰ যথেষ্ট সমালোচিত হৈ আহিছে। শ্বৰীফে এই মূল্যবৃদ্ধিৰ বাবে পূৰ্বৰ ইমৰান খানৰ চৰকাৰৰ নীতিক দোষাৰোপ কৰি আহিছে। এনে পৰিস্থিতিতে প্ৰধানমন্ত্ৰী শ্বৰীফে আটাৰ মূল্য হ্ৰাস কৰাৰ বাবে খাইবাৰ পখটুনখোৱাৰ মুখ্যমন্ত্ৰী মহমুদ খানক ধমক দিলে। সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ কৰা অনুসৰি শ্বৰীফে মুখ্যমন্ত্ৰী খানক সকীয়নি দি কয় যে যদিহে আগন্তুক ২৪ ঘণ্টাৰ ভিতৰত ১০ কিলোগ্ৰাম ঘেঁহুৰ আটাৰ মূল্য ৪০০ টকালৈ হ্ৰাস কৰা নহয়, তেন্তে তেওঁ নিজৰ সাজ-পোছাক বিক্ৰী কৰিবলৈ বাধ্য হ'ব। এখন জনসভাত অংশ লোৱাৰ সময়ত কালি শ্বৰীফে এইদৰে কয়, 'মই নিজৰ পোছাক বিক্ৰী কৰিম আৰু ৰাইজক সবাতোকৈ সস্তাত ঘেঁহুৰ আটাৰ যোগান ধৰিম।' প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰানক কটাক্ষ কৰি শ্বৰীফে কয় যে এইজন প্ৰধানমন্ত্ৰীয়ে দেশখনক সৰ্বকালৰ সৰ্বাধিক মূল্যবৃদ্ধি আৰু কৰ্মসংস্থাপনহীনতাক উপহাৰ দিলে।

## খাদ্য, জীৱিকা, স্বাধীনতাৰ দাবীত ৰাজপথত তালিবানৰ বিৰুদ্ধে সমদল আফগান মহিলাৰ

**নিউজ ব্যুৰ' কাবুল, ৩০ মে' ঃ** আফগানিস্তানৰ ৰাজধানী কাবুলত নিজৰ প্ৰাপ্যৰ দাবীত ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰিলে মহিলাই। খাদ্য, জীৱিকা আৰু স্বাধীনতাৰ দাবীৰে এইসকল মহিলাই কাবুলৰ ৰাজপথত সমদল উলিয়ালে। কমেও দুই ডজন মহিলাই এই সমদলত অংশ লৈ শ্ল'গান দি কয়, 'শিক্ষা আমাৰ অধিকাৰ, বিদ্যালয় মুকলি কৰক।' আফগানিস্তানৰ শিক্ষা মন্ত্ৰণালয়ৰ ভ্ৰমণৰ সন্মুখত সমবেত হৈ



এইসকল মহিলাই সকলো আফগান মহিলাক খাদ্য, জীৱিকা আৰু স্বাধীনতা প্ৰদানৰ দাবী উত্থাপন কৰিলে। আন্দোলনকাৰী মহিলাসকলক তালিবানে বাধাদান কৰে আৰু তেওঁলোকক জিম্মাত লয়। উল্লেখ্য যে ২০২১ৰ ১৫ আগষ্টত কাবুল দখল কৰাৰ পাছত তালিবানে মহিলাসকলক প্ৰয়োজনীয় সকলো অধিকাৰ প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছিল যদিও পাছত মহিলাৰ বিৰুদ্ধে দেশখনত একাধিক নিষেধাজ্ঞা আৰোপ কৰিছিল। এতিয়াও তালিবানে মহিলাক শিক্ষাৰ সম্পূৰ্ণ অধিকাৰৰ পৰা বঞ্চিত ৰাখিছে। তালিবানৰ এনে কাৰ্যৰ বিৰোধিতা কৰি দেশখনৰ একাংশ মহিলাই ৰাজপথত বিক্ষোভ প্ৰদৰ্শন অব্যাহত ৰাখিছে।

## চহৰ ৰক্ষাত গাফিলতি, খাৰকীভৰ নিৰাপত্তা মুৰব্বীক বৰ্খাস্ত জেলেনস্কিৰ

**নিউজ ব্যুৰ' খাৰকীভ, ৩০ মে' ঃ** চহৰৰ নিৰাপত্তাত গাফিলতিৰ অভিযোগত খাৰকীভৰ নিৰাপত্তা মুৰব্বীক বৰ্খাস্ত কৰিলে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে। যুদ্ধবিধ্বস্ত পূব ইউক্ৰেইন পৰিদৰ্শন কৰি জেলেনস্কিয়ে খাৰকীভৰ নিৰাপত্তা বিষয়াৰ কাম-কাজত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিলে। দ্ৰুত গতিত ডনবাছ অঞ্চল দখল অব্যাহত ৰাখিছে ৰাছিয়াই। এনে পৰিস্থিতিত



খাৰকীভৰ নিৰাপত্তা মুৰব্বীক বৰ্খাস্ত কৰিলে জেলেনস্কিয়ে। অৱশ্যে নিৰাপত্তা বিষয়াৰ নাম প্ৰকাশৰ পৰা বিৰত আছে জেলেনস্কিয়ে। সামাজিক মাধ্যমৰ জৰিয়তে খাৰকীভৰ নিৰাপত্তা মুৰব্বীক বৰ্খাস্ত কৰাৰ কথা উল্লেখ কৰি জেলেনস্কিয়ে এইদৰে কয়, 'যুদ্ধৰ সময়ত চহৰক ৰক্ষা কৰাৰ কোনো চেষ্টা কৰা নাছিল উক্ত বিষয়াজনে। নিজৰ স্বাৰ্থৰ কথাহে তেওঁ চিন্তা কৰিছিল। তেওঁৰ স'তে থকা আন বিষয়াসকলে ৰুছ সেনাৰ পৰা চহৰক ৰক্ষা কৰিবলৈ প্ৰাণপণ চেষ্টা অব্যাহত ৰাখিছে।' ইউক্ৰেইনৰ সংবাদ মাধ্যমৰ তথ্য অনুসৰি জেলেনস্কিয়ে চহৰ ৰক্ষাৰ গাফিলতিৰ অভিযোগত বৰ্খাস্ত কৰা বিষয়াজনৰ নাম ৰ'মান ডুদিন।

## পুলৱামাত দুজন সন্ত্ৰাসবাদী নিহত



**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৩০ মে' ঃ** কাশ্মীৰত পুলৱামাত জইচ ই মহম্মদৰ দুজন সন্ত্ৰাসবাদীক ধৰাশায়ী কৰিলে নিৰাপত্তা বাহিনীয়ে। যোৱা নিশা পুলৱামাৰ গাণ্ডিপুৰাত নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত গুলীয়াগুলিৰ ঘটনা সংঘটিত হৈছিল। এই অঞ্চলত সেনাই তালাচী অভিযান চলোৱাৰ সময়তে আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰাত উক্ত সংঘৰ্ষৰ ঘটনাৰ সূত্ৰপাত ঘটিছিল। দীৰ্ঘসময় ধৰি উভয় পক্ষৰ মাজত হোৱা গুলীয়াগুলিৰ ঘটনাত দুজন সন্ত্ৰাসবাদী নিহত হয়। ধৃতৰ মাজত জইচৰ কুখ্যাত সন্ত্ৰাসবাদী আবিদ শ্বাহো আছে। যোৱা ১৩ মে'ত কাশ্মীৰত আৰক্ষীৰ কনিষ্টবল ৰিয়াজ আহমেদৰ হত্যাত শ্বাহ জড়িত আছিল।

## ডনবাছত উত্তপ্ত পৰিস্থিতি, পুটিনৰ পৰৱৰ্তী লক্ষ্য কি?



**নিউজ ব্যুৰ', কীভ, ৩০ মে' ঃ** এইবাৰ সমগ্ৰ ডনবাছ অঞ্চলৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ আনিবলৈ বদ্ধপৰিকৰ হ'ল ৰাছিয়া। এই মুহূৰ্তত ৰাছিয়াৰ সেনাৰ মূল্য লক্ষ্য হৈছে লুহানস্কৰ চেভেৰ'ডনেটস্ক চহৰ। বিগত কে'বাদিন ধৰি ডনবাছৰ পূব প্ৰদেশৰ এইখন চহৰত ভয়াৱহ যুদ্ধ অব্যাহত আছে। ইতিমধ্যে ৰুছ সৈনিকে ডনবাছৰ দুই-তৃতীয়াংশ অঞ্চল দখল কৰিছে। অৱশ্যে বৰ্তমানেও এই অঞ্চল ইউক্ৰেইনৰ নিয়ন্ত্ৰণত আছে। লুহানস্কৰ গৱৰ্ণৰ ছেহৰি হাইডাইৰ অভিযোগ অনুসৰি পৰিকল্পিতভাৱে ৰুছ সেনাই সমগ্ৰ চহৰখনক আগুৰি ধৰিছে। বাসগৃহৰ পৰা আৰম্ভ কৰি চলচ্চিত্ৰ গৃহলৈকে সকলো অঞ্চলতে ৰুছ সেনাই আক্ৰমণ অব্যাহত ৰাখিছে। চহৰখনৰ কে'বাজনো বাসিন্দাৰ ইতিমধ্যে মৃত্যু হোৱা বুলিও ছেহৰিয়ে জানিবলৈ দিয়ে। সমগ্ৰ ডনবাছ অঞ্চলতে সম্প্ৰতি পৰিস্থিতি উত্তপ্ত হৈ আছে। ডনবাছ দখলৰ পাছত ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ পৰৱৰ্তী লক্ষ্য কি হ'ব বুলি প্ৰশ্ন উত্থাপিত হৈছে। ডনবাছ দখলতে ৰুছ অভিযানৰ অন্ত পৰিব নে পুটিনে ইউক্ৰেইন অভিযান অধিক ব্যাপক কৰি তুলিব সেয়া এতিয়াও স্পষ্ট হোৱা নাই।

## আদানী সপ্তম, আম্বানী দশম স্থানলৈ অৱনমিত, ধনাঢ্যৰ তালিকাত শীৰ্ষত মাস্ক



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ মে' ঃ** বিশ্বৰ সবাতোকৈ ধনী ব্যক্তিৰ তালিকাত স্থান অৱনমিত হ'ল দুই ভাৰতীয় ধনাঢ্য গৌতম আদানী আৰু মুকেশ আম্বানীৰ। আদানী গ্ৰুপৰ মুৰব্বী গৌতম আদানীৰ এই তালিকাত স্থান ষষ্ঠৰ পৰা সপ্তম স্থানলৈ অৱনমিত হ'ল। যোৱা ২৪ ঘণ্টাত আদানীৰ সম্পত্তিৰ পৰিমাণ ১.৫৮ বিলিয়ন ডলাৰ বৃদ্ধি পোৱাৰ পাছতো ধনাঢ্য ব্যক্তিৰ তালিকাত তেওঁৰ স্থানৰ অৱনমন হ'ল। বৰ্তমানে আদানীৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১০২ বিলিয়ন ডলাৰ। ইফালে, ধনাঢ্য ব্যক্তিৰ এই তালিকাত অষ্টম স্থানত থকা আম্বানীৰ স্থান দশমলৈ অৱনমিত হ'ল। যোৱা ২৪ ঘণ্টাত আম্বানীৰ ৩৪.৯ কোটি ডলাৰ সম্পত্তি হ্ৰাস পালে। বৰ্তমানে আম্বানীৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ৯৩.৯ বিলিয়ন ডলাৰ। ধনাঢ্য ব্যক্তিৰ তালিকাত ২২৪ বিলিয়ন ডলাৰৰ সম্পত্তিৰে প্ৰথম স্থানত আছে এলন মাস্ক। যোৱা ২৪ ঘণ্টাত মাস্কৰ ১২.২ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি পালে।

# আজি বিহপুৰীয়া আছুৰ প্ৰতিনিধি সভা

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ৩০ মে' ঃ** বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি তথা বিষয় বাছনি সভাখন কাইলৈ দিনজোৰা কাৰ্যসূচীৰে বিহপুৰীয়া লোহিত ডিক্ৰুং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি, কাইলৈ পুৱা বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ ক্ৰমে ভাৰপ্ৰাপ্ত সভাপতি প্ৰফুল্ল দেউৰীৰ দ্বাৰা পতাকা উত্তোলন আৰু ভাৰপ্ৰাপ্ত সম্পাদক হীৰকজ্যোতি বৰুৱাৰ দ্বাৰা ছহিদ তৰ্পণৰ পাছতে দুপৰীয়া প্ৰতিনিধি তথা বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। প্ৰফুল্ল দেউৰীৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভা উদ্বোধন কৰিব সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি সীমান্ত নেওগে। সভাত আছুৰ সাংগঠনিক সম্পাদক পুলক বৰাই মুখ্য অতিথি, আছুৰ কাৰ্যনিৰ্বাহক সদস্য ধনমণি দত্ত, সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক স্বৰাজ শংকৰ গগৈ, উপদেষ্টাদ্বয় সঞ্জীৱ কোঁৱৰ আৰু ফৰিদুৰ ৰহমানে বিশিষ্ট অতিথি, উত্তৰ লখিমপুৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদক ক্ৰমে জ্যোতিৰ্ময় হাজৰিকা, কৃষ্ণজ্যোতি হাজৰিকা, সাংগঠনিক সম্পাদক যুগল মেধি আৰু ভাস্কৰ দেউৰীয়ে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

# গোসাঁইগাঁৱত যোগেন্দ্ৰ লাল চৌধুৰী সোঁৱৰণী কুইজ প্ৰতিযোগিতা



অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ৩০ মে' ঃ** গোসাঁইগাঁও শাখা সাহিত্য সভাৰ সৌজন্যত পৰিয়ালবৰ্গৰ উদ্যোগত আয়োজিত গোসাঁইগাঁৱৰ বিশিষ্ট সমাজকৰ্মী, তথা প্ৰাক্তন পৌৰপতি প্ৰয়াত যোগেন্দ্ৰ লাল চৌধুৰীৰ ১৭ সংখ্যক মৃত্যু দিৱসৰ তিনিদিনীয়া কাৰ্যসূচীৰ কালি প্ৰথমদিনা কুইজ প্ৰযোগিতা অনুষ্ঠিত হয়। বৃহত্তৰ গোসাঁইগাঁও আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ বিভিন্ন চৰকাৰী তথা বেচৰকাৰী বিদ্যালয়ৰ ৩০ টাকৈ দলে এই প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে। গোসাঁইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত পুৱা ১০-৩০ত আয়োজিত প্ৰতিযোগিতাখন উদ্বোধন কৰে গোসাঁইগাঁৱৰ সহকাৰী আয়ুক্ত প্ৰিয়ংকৰ প্ৰতিম ডেকাই। অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত আয়োজিত উক্ত প্ৰতিযোগিতাখন পৰিচালনা কৰে গোসাঁইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দিলীপ কুমাৰ সাহা, শিক্ষক সঞ্জীৱ কুমাৰ ৰায়, জ্যেষ্ঠ শিক্ষক অশোক কুমাৰ মুছাহাৰী আৰু মনোজ কুমাৰ টুডুৱে। বৃহৎ সংখ্যক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত পোনতে লিখিত মাধ্যমেৰে নিৰ্বাচিত কৰা দলসমূহক লৈ আৰম্ভ কৰা প্ৰতিযোগিতাখনত বিভিন্ন শিতানৰ চাৰিটা দীঘলীয়া ৰাউণ্ডৰ অন্তত ক্ৰমে গোসাঁইগাঁও ছোৱালী হাইস্কুলৰ দলটোৱে প্ৰথম স্থান, শংকৰদেৱ বিদ্যা নিকেতনৰ দলটোৱে দ্বিতীয় স্থান আৰু লিটিল ষ্টাৰ ইংলিছ হাইস্কুলৰ দলটোৱে তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাখনত উপস্থিত থাকি গোসাঁইগাঁও শাখা সাহিত্য সভাৰ সম্পাদক খনীন্দ্ৰ নাথ দাসেও শিক্ষাৰ্থীসকলক উদগনিমূলক ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানত শাখা সাহিত্য সভাৰ সভাপতি পৰশু কলিতা, শাখা সভাৰ উপদেষ্টা শংকৰ চন্দ্ৰ দাস, অৱসৰপ্ৰাপ্ত শিক্ষক বৈদ্যনাথ সাহা, ৰতন দেৱনাথ আদি ব্যক্তিসকল উপস্থিত থাকে। উল্লেখ্য যে অহা ২০ জুনত স্থানীয় কমল নাথ ক্লাবত গোসাঁইগাঁও শাখা সাহিত্য সভাৰ দ্বাৰা আয়োজিত ৰাভা দিৱসৰ কাৰ্যসূচীত পৰিয়ালৰ পৰা বিজয়ী দলসমূহক পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলি উদ্‌যাপন সমিতিয়ে জনাইছে।

# নিৰ্মালি'ৰ ২০২২ৰ বঁটা -উপাধি ঘোষণা

অগ্ৰদূত বাৰ্তা

**মেলামাটি, ৩০ মে' ঃ** তিতাবৰৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'নিৰ্মালি'ৰ তৰফৰ পৰা সমাজৰ বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা সামাজিক সাংস্কৃতিক অৱদানৰ বাবে নিৰ্মালি'ৰ ২০২২ৰ বঁটা আৰু সামাজিক স্বীকৃতি স্বৰূপে উপাধি অলপতে ঘোষণা কৰিছে। 'নিৰ্মালি'ৰ উদ্যোক্তাসকলে অলপতে অনুষ্ঠিত কৰা ৰঙালী বিহু সন্মিলনৰ মুকলি সভাত এই বঁটা আৰু উপাধি প্ৰাপকসকলৰ নাম ঘোষণা কৰি সভাই ৰাজহুৱা স্বীকৃতি প্ৰদান কৰে। সেই মৰ্মে নিৰ্মালিৰ 'সমাজ প্ৰাণ' উপাধি আগবঢ়াইছে যোৰহাটৰ 'নিউজ নাও' চেনেলৰ মুখ্য সম্পাদক উৎপল কুমাৰ দাসলৈ, নিৰ্মালি'ৰ 'সমাজ হিতৈষী' উপাধি আগবঢ়াইছে তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি তথা অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক বিমান শইকীয়ালৈ, 'নিৰ্মালি'ৰ জৰিয়তে 'সমীৰণ বৰদলৈ সোঁৱৰণী বঁটা' আগবঢ়াইছে তিতাবৰৰ কনচেপ্ট একাডেমীৰ সঞ্চালক তথা স্বত্বাধিকাৰ জিতু কুমাৰ বৰালৈ, নিৰ্মালি'ৰ সাংস্কৃতিক বঁটা, ২০২২ আগবঢ়াইছে সাংস্কৃতিক জগতৰ এটা চিনাকি নাম যোৰহাটৰ মৌচুমী গোস্বামী মহন্তলৈ, নিৰ্মালি'ৰ 'শৈক্ষিক উত্তৰণ বঁটা, ২০২২ আগবঢ়াইছে জিতা বৰুৱালৈ, নিৰ্মালি'ৰ 'প্ৰকৃতি প্ৰেমী বঁটা, ২০২২' আগবঢ়াইছে সমীৰ ৰয়লৈ, নিৰ্মালি'ৰ 'সমাজকৰ্মী' বঁটা আগবঢ়াইছে ৰাজেন দত্তলৈ। নিৰ্মালি'ৰ সভাপতি পৰমানন্দ দত্ত আৰু মুখ্য সম্পাদক বিনয় কলিতাৰ স্বাক্ষৰিত প্ৰতিবেদনত সদৰী কৰিছে। এই বঁটা আৰু উপাধি আগন্তুক ডিচেম্বৰত অনুষ্ঠিত হ'ব লগা নিৰ্মালিৰ প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত প্ৰদান কৰিব বুলি নিৰ্মালি'ৰ সভাপতি আৰু মুখ্য সম্পাদকে জনাইছে।

# ভটীয়াপাৰত মায়ামৰা সম্প্ৰদায়ৰ শৰণ কাৰ্য সম্পন্ন



অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৩০ মে' ঃ** শিৱসাগৰ জিলাৰ ভটীয়াপাৰত মায়ামৰা সম্প্ৰদায়ৰ কালি এক সমূহীয়া শৰণ কাৰ্য সম্পন্ন হৈ যায়। মায়ামৰা সম্প্ৰদায়ৰ ভটীয়াপাৰ বৰ নামঘৰত অনুষ্ঠিত শৰণ শিবিৰত মায়ামৰা সম্প্ৰদায়ৰ ৩০জনৰো অধিক পুৰুষ-মহিলাই ধৰ্মীয় ৰীতি-নীতিৰে শৰণ গ্ৰহণ কৰে। পুৱা পুৰুষ-মহিলা উভয়ে কৌপিন বস্ত্ৰ পৰিধান কৰি দিখৌ নদীত স্নান কৰে। দিখৌ নদীত স্নান কৰাৰ পাছত শৰণীয়াসকলক ভকত বৈষ্ণৱসকলে নামঘৰ প্ৰাংগণলৈ আদৰি আনে। ৮১ বিধ ভক্তি সামৰি শৰণ গ্ৰহণ কৰিবলৈ অহা পুৰুষ-মহিলাসকলক যোৰহাট পানীচকুৱাৰ পুৰণি মাটি মায়ামৰা সত্ৰৰ সত্ৰাধিকাৰ ভৱানন্দ গোস্বামীয়ে শৰণ দিয়ে। মায়ামৰা সম্প্ৰদায়ৰ জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অসংখ্য ভকত বৈষ্ণৱে অংশগ্ৰহণ কৰাৰ লগতে নাম প্ৰসংগ আদিও অনুষ্ঠিত হয়।

# বৌদ্ধিক বিকাশৰ বাবে একমাত্ৰ উপায় গ্ৰন্থ অধ্যয়ন ঃ পাটগিৰি

## ■ ভৱানীপুৰত বিশেষ বৌদ্ধিক জাগৰণ কাৰ্যসূচী সম্পন্ন



অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ৩০ মে' ঃ** 'বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত আমি গ্ৰন্থ অধ্যয়ন কৰাটো অতিকৈ আৱশ্যক। কাৰণ, গ্ৰন্থ অধ্যয়নৰ জৰিয়তে বৌদ্ধিক জাগৰণৰ সৃষ্টি কৰিব পাৰিব। সেয়ে বৌদ্ধিক বিকাশৰ বাবে একমাত্ৰ উপায় হ'ল গ্ৰন্থ অধ্যয়ন।' ভৱানীপুৰত সত্ৰত এইদৰে বক্তব্য আগবঢ়ায় সত্ৰীয়া শিল্পী গিৰীন্দ্ৰ পাটগিৰিয়ে। মৰমলেগু-ডেম'ক্ৰেচী লাইভৰ উদ্যোগত আৰু সূৰুযমুখী বাৰেৰহণীয়া সাংস্কৃতিক গোষ্ঠীৰ সহযোগত কালি ভৱানীপুৰ সত্ৰত দিনজোৰা কাৰ্যক্ৰমণিকাৰে বিশেষ বৌদ্ধি জাগৰণ কাৰ্যসূচী সম্পন্ন হয়। কাৰ্যক্ৰমণিকা অনুযায়ী পুৱা আঠ বজাত ভৱানীপুৰ সত্ৰৰ ভকতসকলৰ দ্বাৰা নাম-প্ৰসংগ কৰা হয়। পুৱা ১০ বজাত অসম চৰকাৰৰ বন বিভাগৰ ব্ৰেণ্ড এম্বেচেডৰ আনন্দ খাটনিয়াৰে গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰে আৰু পৰিৱেশ সজাগতাৰ ওপৰত এক সাৱলীল ভাষণ ৰাখে। ইয়াৰ পাছতেই সত্ৰ প্ৰাংগণত শতাধিক লোকে হাতত কিতাপ লৈ এক গ্ৰন্থ সমদল কাৰ্যসূচী ৰূপায়ণ কৰে। ইপিনে, গ্ৰন্থ সমদলৰ পাছতেই বিশেষ বৌদ্ধিক জাগৰণ কাৰ্যসূচী মুকলি কৰা হয়। মৰম কুমাৰে আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট অতিথিৰূপে বিশিষ্ট সত্ৰীয়া শিল্পী গিৰিন্দ্ৰ পাটগিৰি, চলচ্চিত্ৰ নিৰ্মাতা ৰূপজ্যোতি অধিকাৰী, সত্ৰীয়া নৃত্যশিল্পী সঞ্জীৱ চৌধুৰী, শিল্পী প্ৰবীণ দাস, ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ, ভৱানীপুৰ সত্ৰ পৰিচালনা সমিতিৰ মুখ্য সম্পাদক ভৈৰবেন্দ্ৰ শৰ্মা, কৃতী শিক্ষক ক্ৰমে চণ্ডীপ্ৰসাদ দাস, দিলীপ দাস, বাবুল ডেকাকে ধৰি বহুতো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# গোলাঘাটত মন কী বাত

**গোলাঘাট, ৩০ মে'ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কী বাত' অনুষ্ঠান কৃষক মৰ্চাই সমগ্ৰ দেশতে মন কী বাত, কিষাণো কে সাথ' শিৰোনামেৰে অনুষ্ঠিত কৰে। ৰাজ্যখনৰ প্ৰতি জিলাৰ লগতে গোলাঘাট জিলা কৃষক মৰ্চাই গোলাঘাট জিলাৰ অন্তৰ্গত উত্তৰ মণ্ডলৰ মধ্য ব্ৰহ্মপুত্ৰ পঞ্চায়তৰ জিলা কৃষক মৰ্চাৰ উপ-সভানেত্ৰী হেলিনা দলে পেগুৰ বাসগৃহত অনুষ্ঠিত হয়। জিলা সভাপতি হৰেণ গগৈৰ নেতৃত্বত অনুষ্ঠিত উক্ত কাৰ্যসূচীত কৃষক মৰ্চাৰ ৰাজ্যিক সভাপতি দেৱজিত বৰা, গোলাঘাট জিলা বিজেপিৰ সাধাৰণ সম্পাদক পৰাগ বৰা, গোলাঘাট জিলা যুৱ মৰ্চা সভাপতি চন্দ্ৰজ্যোতি ঠাকুৰ, জিলা কৃষক মৰ্চা সাধাৰণ সম্পাদকদ্বয় পূৰ্ণিমা চক্ৰৱৰ্তী, সঞ্জু কৌশিক, সম্পাদক ৰিন্টু ডেকা, জিলা মিডিয়া আহ্বায়ক দিগন্ত শৰ্মা, ৯৪ নম্বৰ উত্তৰ মণ্ডলৰ সভাপতি চন্দন দাসৰ লগতে সকলো জিলা আৰু মণ্ডল বিষয়ববীয়া উপস্থিত থাকি উপভোগ কৰে।

# ডিগবৈত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ দুঘণ্টীয়া ধৰ্মঘট ৰূপায়ণ

**ডিগবৈ, ৩০ মে' ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ডিগবৈ আঞ্চলিক সমিতিয়ে চাহ শ্ৰমিকৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত দুঘণ্টীয়া ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। তিনিচুকীয়া জিলা সমিতিৰ নিৰ্দেশ মৰ্মে ডিগবৈ আঞ্চলিক সমিতিয়ে বগাপানী চাহ বাগিচা আৰু শ্ৰীকৃষ্ণ চাহ বাগিচাৰ মূল প্ৰৱেশদ্বাৰৰ সন্মুখত এই ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধি, কাছাৰৰ ডলু চাহ বাগিচাত বিমানকোঠ নিৰ্মাণৰ বাবে চলোৱা উচ্ছেদ অভিযান বন্ধ কৰাৰ দাবীত চাহ শ্ৰমিকৰ বিশুদ্ধ খোৱাপানী সমস্যা সমাধান আৰু চাহ শ্ৰমিকৰ চিকিৎসাৰ বাবদ প্ৰতিখন চাহ বাগিচা অঞ্চলত উন্নত চিকিৎসা সেৱা লাভ কৰিব পৰাকৈ একোখনকৈ উন্নত চিকিৎসালয় নিৰ্মাণৰ লগতে অৱসৰগ্ৰহণ কৰাৰ পাছত চাহ শ্ৰমিকসকলৰ ন্যায় প্ৰাপ্যৰ পৰা বহু সময়ত বঞ্চিত হ'ব লগা চাহ শ্ৰমিকৰ প্ৰাপ্য প্ৰদান কৰাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবীত দুঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীত অসম চাহ জনজাতি ছাত্ৰ সন্থা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক নৰূপ ভূমিজ, তিনিচুকীয়া জিলা সমিতিৰ উপ-সভাপতি কাৰ্তিক তাঁতী, ক্ৰীড়া সম্পাদক হেমচন্দ্ৰ বাগ, সাংগঠনিক সম্পাদক ভৰত মাহাতু, ডিগবৈ আঞ্চলিকৰ সভাপতি চন্দন চূড়ী, সম্পাদক বিশ্ব প্ৰৱাল বৈদ্যসহ ডিগবৈ আঞ্চলিকৰ অন্তৰ্গত শাখা, উপ-শাখা আৰু প্ৰাথমিক গোটৰ প্ৰায় শতাধিক প্ৰতিবাদী ছাত্ৰ নেতাৰ উপস্থিতিত দুঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত বাগিচাৰ পৰিচালকৰ জৰিয়তে ৰাজ্য চৰকাৰলৈ স্মাৰকপত্ৰ প্ৰদান কৰে।



# আছুৰ ককয়া শাখা গঠন

অগ্ৰদূত বাৰ্তা

**চামতা, ৩০ মে' ঃ** পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত ককয়া শাখা ছাত্ৰ সন্থাৰ বিষয় বাছনি সভাখন কালি ককয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুভাষ বৰ্মনে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আঞ্চলিকৰ সাধাৰণ সম্পাদক প্ৰাণজিৎ ঠাকুৰীয়াই। সভাত উপস্থিত থাকে পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি মিৰ হুছেইন, কল্পমণি কাকতি, সহকাৰী সাধাৰণ সম্পাদক নয়নজ্যোতি শৰ্মা, মুখ্য সংগঠনিক সম্পাদক চাহিদুল আলম, সাংগঠনিক সম্পাদক অংকুৰ শৰ্মা, কাৰ্যালয় সম্পাদক ৰাজেশ শৰ্মা, সুমন দাসৰ লগতে আন আন আঞ্চলিকৰ বিষয়ববীয়াসকল। ককয়া শাখা ছাত্ৰ সন্থাৰ নতুন সভাপতিৰূপে হীৰক ঠাকুৰীয়া আৰু সাধাৰণ সম্পাদক নিপন বৰ্মন, শিক্ষা সম্পাদিকা তৃষ্ণামণি নাথক লৈ এখন সমিতি গঠন কৰা হয়।

# প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ নামত উৎকোচ নিদিবলৈ আহ্বান

## ■ নলবাৰীৰ মৰোৱাত হিতাধিকাৰীৰ সজাগতা সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩০ মে' ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত ৫১ (৫) নম্বৰ উপবৰভাগ গাঁও পঞ্চায়তৰ উদ্যোগত গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ তথা বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাৰ সহযোগত কালি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰীসকলক লৈ এখন বিশেষ সজাগতামূলক সভা অনুষ্ঠিত হয়। মৰোৱাৰ শংকৰদেৱ ক্ষেত্ৰত বৰভাগ উন্নয়ন খণ্ডৰ আঞ্চলিক সভাপতি মহেন্দ্ৰ নাথ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত ব্যতিক্ৰমী সভাৰ উদ্দেশ্য ব্যাখ্যা তথা আদৰণি ভাষণ প্ৰদান কৰে ৫১(পাঁচ)নম্বৰ উপৰ বৰভাগ গাঁও পঞ্চায়তৰ সভানেত্ৰী গীতুমণি বৈশ্যই। পঞ্চায়ত সভানেত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধিকাৰীৰ বাছনিৰ ক্ষেত্ৰত বিভাগীয় নীতি নিয়ম সম্পৰ্কে উল্লেখ কৰি এই গৃহ নিৰ্মাণৰ বাবে পঞ্চায়ত প্ৰতিনিধি কিম্বা আন কোনো লোককে ধন নিদিবলৈ হিতাধিকাৰীসকলক মুকলিভাৱে আহ্বান জনায়। সভাত পঞ্চায়তৰ তৰফৰ পৰা তিনিশৰো অধিক হিতাধিকাৰীক একোখনকৈ ফুলাম গামোচাৰে সম্ভাষণ জনোৱা হয়। সভাত বৰভাগ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অপূৰ্ব কুমাৰ চক্ৰৱৰ্তীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা সম্পৰ্কে বক্তব্য প্ৰদান কৰাৰ লগতে অটল দৃষ্টিভংগীৰে দৰিদ্ৰ পৰিয়ালৰ গৃহ নিৰ্মাণ হ'ব লাগে বুলি উল্লেখ কৰি আঁচনিখনৰ ধন সদ্ব্যৱহাৰ হোৱাৰ ওপৰত তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰে। ঠিকাদাৰী পদ্ধতিৰে গৃহ নিৰ্মাণ নকৰিবলৈ হিতাধিকাৰীসকলৰ প্ৰতি আহ্বান জনাই এই ধন অন্য ক্ষেত্ৰত ব্যৱহাৰ কৰিলে ওভতাই দিব লাগিব বুলিও কয়। সভাত নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকাই হিতাধিকাৰীক এনেদৰে আমন্ত্ৰণ জনাই সম্ভাষণ কিম্বা অভিনন্দন জনোৱাৰ পূৰ্বে দেখা নাছিল বুলি মন্তব্য কৰে। পূৰ্বে আৱাসগৃহ আবণ্টনৰ বাবে উপঢৌকন দিব লগা হৈছিল বুলি উল্লেখ কৰি মোদী চৰকাৰে হিতাধিকাৰীৰ বেংক একাউণ্টত পোনপটীয়াকৈ আঁচনিৰ ধন জমা দি মধ্যভোগী নোহোৱা কৰি দিছে বুলিও দাবী কৰে। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক মণিকান্ত বেজবৰুৱাই ভাষণ প্ৰদান কৰি বিজেপি চৰকাৰৰ দিনত ৰাজ্যত পৰিৱৰ্তন হৈছে বুলি মন্তব্য কৰি কয় যে এই চৰকাৰখনে কোনো কাম গোপনে নকৰে। দুৰ্নীতি তৃণমূল পৰ্যায়তে হয় বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে তৃণমূল পৰ্যায়ৰ এনে সজাগতা সভা অতি আদৰণীয়। সভাত বৰভাগ জিলা পৰিষদৰ সদস্যা পদুমী দাস, নলবাৰী জিলা অ'বিচি মৰ্চাৰ সভাপতি মাধৱ বৰুৱা, পঞ্চায়ত সচিব আব্দুল কৰিমকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# কমাৰগাঁৱত দুখন মালবাহী ট্ৰাকৰ মাজত মুখামুখি সংঘৰ্ষ, নিহত এজন

**খুমটাই, ৩০ মে' ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বছাপথাৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। উল্লেখ্য যে যোৰহাটৰ দিশৰ পৰা চাহপাত কঢ়িয়াই অনা এএছ-০৩বিচি-৬৬৮৯ নম্বৰৰ ট্ৰাকখনৰ স'তে নুমলীগড় দিশৰ পৰা কনষ্ট্ৰাকছনৰ সামগ্ৰী কঢ়িয়াই অনা জিজে-১২-৩৬৬১ নম্বৰৰ ট্ৰাকৰ স'তে মুখামুখি সংঘৰ্ষ হয়। এই সংঘৰ্ষৰ ফলত গুৰুত্বভাৱে আহত হয় ট্ৰাক দুখনৰ চালক দুজন। সংকটজনক অৱস্থাত দুয়োজন চালকক বোকাখাত অসামৰিক চিকিৎসালয়লৈ নিশাই প্ৰেৰণ কৰিছিল যদিও কালি পুৱা এজন চালকৰ চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। মৃত চালকজন চাহপাত কঢ়িয়াই অনা এএছ০৩বিচি-৬৬৮৯ নম্বৰৰ ট্ৰাকখনৰ চালক বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে যদিও বৰ্তমান সময়লৈকে মৃত চালকজনৰ প্ৰকৃত পৰিচয় লাভ কৰা নাই আৰক্ষীয়ে।

# সাফল্য নিৰ্ভৰ কৰে মানসিকতাৰ ওপৰত

## ■ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ বাৰ্ষিক যুৱ সমাৰোহৰ সামৰণি

বিশেষ সংবাদদাতা

**নগাঁও, ৩০ মে' ঃ** জীৱনত কৃতকাৰ্য হ'বলৈ হ'লে সততে পৰামৰ্শ দিয়া হয় কঠোৰ পৰিশ্ৰম কৰিবলৈ। প্ৰায়েই মগজুৰ সহজাত দক্ষতা বা মেধাৰ কথাও গুৰুত্ব সহকাৰে কৃতকাৰ্যতাৰ অন্যতম কাৰক বুলি দেখুওৱা হয়। কিন্তু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপক, বিশিষ্ট শিক্ষাবিদ ড° প্ৰাঞ্জল বুঢ়াগোহাঁয়ে কয় যে কৃতকাৰ্য হ'বলৈ, সফল ব্যক্তি হ'বলৈ প্ৰখৰ মেধা আৰু কঠোৰ পৰিশ্ৰম লাগে বোলা কথাটো বিজ্ঞানসন্মত নহয়। দৰাচলতে সফলতা নিৰ্ভৰ কৰে মানসিকতাৰ ওপৰতহে। অবিৰত শিকনৰ বাবে নিজৰ মানসিকতাৰ প্ৰয়োজনীয় ৰূপান্তৰ সাধি নিজকে পৰিবৰ্ধন তথা সমৃদ্ধ কৰাৰ মাজেদিহে আহে যথাৰ্থ সফলতা। নগাঁওস্থিত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ড° বুঢ়াগোহাঁয়ে নিজৰ অভিজ্ঞতালব্ধ প্ৰজ্ঞাৰে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি এনেদৰে কয়। অভিনৱ কথনশৈলীৰে দাঙি ধৰা বক্তব্যত ড° বুঢ়াগোহাঁয়ে ছাত্ৰ জীৱনৰ বাবে প্ৰয়োজনীয় সাফল্যৰ এক নিজস্ব ব্যাখ্যা আগবঢ়ায়। উল্লেখ্য যে বিগত দুটা বছৰত ক'ভিড পৰিস্থিতিৰ বাবে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত নোহোৱাকৈ থকাৰ অন্তত এইবাৰ মাত্ৰ চাৰিদিনীয়াকৈ অনুষ্ঠিত কৰা মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ আৰু প্ৰদৰ্শন অত্যন্ত উৎসাহজনক হোৱাৰ সমান্তৰালভাৱে আছিল অত্যন্ত পৰিশীলিত, শৃংখলাবদ্ধ অথচ উন্নতমানৰ। ক্ৰীড়া, সাহিত্য, সংগীত, সংস্কৃতি আদি বিভিন্ন শাখাত নিশা প্ৰায় ন বজালৈকে অবিৰতভাৱে অনুষ্ঠিত প্ৰতিযোগিতাসমূহে মহাবিদ্যালয়খনত নতুন প্ৰাণৰ সঞ্চাৰ কৰে। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি চেনিৰাম বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ সকলো কাৰ্যসূচী ছাত্ৰ একতা সভাৰ সদস্যসকলে অত্যন্ত দক্ষতাৰে আৰু শৃংখলাবদ্ধতাৰে পৰিচালনা কৰে। সভাখনৰ সমস্ত কাৰ্যসূচীৰ আঁত ধৰে সহকাৰী সাধাৰণ সম্পাদক গুঞ্জন প্ৰতীম শইকীয়াই আৰু আদৰণি ভাষণ দিয়ে সাধাৰণ সম্পাদক তুষাৰজ্যোতি শৰ্মাই আৰু শলাগৰ শৰাই আগবঢ়াই ছাত্ৰ একতা সভাৰ উপ-সভাপতি গুণমণি বৰাই।

# টেঙাখাতত মূলাগাভৰুৰ মৃত্যু দিৱস উপলক্ষে বৃক্ষৰোপণ



অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ৩০ মে' ঃ** টেঙাখাত মে-নাং-ৰাই ম্যুঙ-ডুঙ-চন খামৰ উদ্যোগত কালি মূলাগাভৰুৰ মৃত্যু দিৱস উপলক্ষে টেঙাখাত অঞ্চলত টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়, টেঙাখাত বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত আৰু টেঙাখাত আৰক্ষী থানাৰ চৌহদত কালি বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰাৰ উদ্দেশ্যৰে গ্ৰহণ কৰা বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ একলব্য সোণোৱাল, টেঙাখাত বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱ ওজাই নিজ নিজ বিদ্যালয়ৰ চৌহদত আৰু ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লক্ষী নাথ দলে টেঙাখাত আৰক্ষী থানাৰ চৌহদত বৃক্ষৰোপণ কৰে। বৃক্ষৰোপণ কাৰ্যসূচীৰ বাবে প্ৰয়োজনীয় গছপুলি যোগান ধৰে প্ৰকৃতিপ্ৰেমী চেনেহী গগৈয়ে। বৃক্ষৰোপণ কাৰ্যসূচী টেঙাখাত মে-নাং-ৰাইৰ সভানেত্ৰী ফুলনী ফুকন আৰু সম্পাদিকা বিজনেক্ষী গগৈয়ে পৰিচালনা কৰে। কাৰ্যসূচী সফল ৰূপায়ণত সংগঠনটোৰ সদস্যাসকলে সহযোগ আগবঢ়ায়।

# ডিগবৈত ১৯ টা নামঘৰৰ একত্ৰিত উদ্যোগত শংকৰ জন্মোৎসৱ ঃ সমিতি গঠন

**ডিগবৈ, ৩০ মে' ঃ** ডিগবৈত ১৯ টা নামঘৰৰ একত্ৰিত উদ্যোগত দুই নম্বৰ গোলাই নামঘৰত আগন্তুক শংকৰ জন্মোৎসৱ অনুষ্ঠিত হ'ব। কালি ১৯ টা নামঘৰৰ ভক্তবৃন্দৰ উপস্থিতিত গোলাই নামঘৰত কমল বসুমতাৰীৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত কমল বসুমতাৰীক সভাপতি, চন্দ্ৰধৰ হাজৰিকাক কাৰ্যকৰী সভাপতি, ৰঞ্জিত মুক্তিয়াৰক সাধাৰণ সম্পাদক আৰু শ্ৰীমান হাজৰিকাক কোষাধ্যক্ষৰূপে লৈ ৫৭৪ সংখ্যক ডিগবৈ শংকৰ জন্মোৎসৱৰ এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। সভাত বৌদ্ধ, ইছলামকে ধৰি আন আন ধৰ্মাৱলম্বীৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকি সৰ্বতোপ্ৰকাৰে সহায়-সহযোগিতাৰ আশ্বাস প্ৰদান কৰে।

# যুৱ মৰ্চা লখিমপুৰ পূব মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৩০ মে' ঃ** ভাৰতীয় জনতা যুৱ মৰ্চাৰ লখিমপুৰ পূব মণ্ডলৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আজি উত্তৰ লখিমপুৰ সাহিত্য সভা ভৱনত অনুষ্ঠিত হয়। যুৱ মৰ্চাৰ মণ্ডল সভাপতি জোন দাসে সঞ্চালনা কৰা কাৰ্যনিৰ্বাহক সভাখনত মৰ্চাৰ বিভিন্ন সাংগঠনিক দিশ আৰু বিভিন্ন আঁচনিৰ সন্দৰ্ভত বক্তব্য প্ৰদান কৰে পূব মণ্ডল সভাপতি ডাঃ নিপেন বৰা, অনু শইকীয়া, প্ৰেম বৰা আৰু পীযুষ বৰুৱাই। যুৱ মৰ্চাৰ পূব মণ্ডলক এখন শক্তিশালী মণ্ডলৰূপে গঢ় দিবৰ বাবে সকলোৱে সহযোগিতা আৰু সংকল্পৰ কথা সভাত উল্লেখ কৰা হয়। সভাত উত্তৰ লখিমপুৰ নগৰ পৌৰসভাৰ উপ-পৌৰপতি প্ৰাঞ্জল দত্ত, খণ্ড প্ৰতিপালক কৃষ্ণাধৰ সেন, জ্যোতি দাস, মিনা দাস সাহা, প্ৰভাৰীসকল প্ৰমুখ্যে মৰ্চাৰ বিষয়ববীয়া কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# জিলা নেতৃত্বৰ উপস্থিতিত সানেকুছিত শাখা ছাত্ৰ সন্থাৰ অধিৱেশনত সমিতি গঠন



অগ্ৰদূত বাৰ্তা

**বৰভাগ/ বাহাৰঘাট, ৩০ মে' ঃ** নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত সানেকুছিত কালি বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ সানেকুছি অধিৱেশনৰ জৰিয়তে সানেকুছি শাখা ছাত্ৰ সন্থা গঠন কৰে। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক বিকি শৰ্মা উপস্থিত থকা অধিৱেশনত সভাপতিত্ব কৰে ছাত্ৰনেতা আকাশ বৰুৱাই। মৌন প্ৰাৰ্থনাৰে আৰম্ভ হোৱা অধিৱেশনত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক মইনুল হকে। একেদৰে, জিলা ছাত্ৰ সন্থাৰ সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক বিকি শৰ্মাই সদৌ অসম ছাত্ৰ সন্থাৰ ওপৰত তত্ত্বগধুৰ ব্যাখ্যা কৰে। বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক বিতোপণ শৰ্মাই আছুৰ ইতিহাস সোঁৱৰণ কৰে। সানেকুছি শাখা ছাত্ৰ সন্থাৰ উক্ত অধিৱেশনত বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা জেহিৰুল ইছলাম, শিক্ষা সম্পাদক জাহিৰ হুছেইন, সহকাৰী সাধাৰণ সম্পাদক শান্তনু কলিতা, অংগৰাগ কলিতা, মুখ্য সাংগঠনিক সম্পাদক বনজিৎ ঠাকুৰীয়া, সাংগঠনিক সম্পাদক জিতুমণি আলী উপস্থিত থাকে। বিষয়বাছনি সভাত বিবেক শৰ্মা আৰু জয় প্ৰকাশ শৰ্মাক উপদেষ্টা, কপিঞ্জল শৰ্মাক সভাপতি আৰু কৃষ্ণ শৰ্মাক সাধাৰণ সম্পাদকৰূপে লৈ সানেকুছি শাখা ছাত্ৰ সন্থাৰ ৩১ জনীয়া সমিতিখন গঠন কৰা হয়।

# জুৰীয়া শাখা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ৩০ মে' ঃ** জুৰীয়াৰ আলিটাঙনি ওচমানীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত যোৱা ২৮ মে'ত জুৰীয়া শাখা সাহিত্য সভাৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত চালুকীয়া অৱস্থাত থকা সাহিত্য সভাৰ জুৰীয়া শাখাটো আৰু অধিক শক্তিশালী কৰাৰ বাবে বিভিন্ন দিশত আলোচনা কৰা হয়। অহা পাঁচ জুনত বিশ্ব পৰিৱেশ দিৱস আৰু ২০ জুনত ৰাভা দিৱস জুৰীয়া শাখাৰ উদ্যোগত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। জুৰীয়া শাখা সাহিত্য সভাৰ স্থায়ী সভাপতি ফজলুল হক মৰলে সভাখনত সভাপতিত্ব কৰে।

